সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ১৯ সংখ্যা, ২৯ বহাগ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 19 Date Of Publication - 12 May 2024 Rs.10.00/-

## বিহাৰৰ বেগুচৰাইত নিৰ্বাচনী প্ৰচাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বিহাৰত নিৰ্বাচনী প্ৰচাৰ বিজেপিৰ অন্যতম ষ্টাৰ কেম্পেইনাৰ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। বিহাৰৰ বেগুচৰাইত কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে দেশত চৰ্চা হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এইবাৰ লোকসভা নিৰ্বাচনত কিয় ৪০০ খন আসন লাগে? ইয়াৰ উদ্দেশ্য হৈছে পাক অধিকৃত কাশ্মীৰ (পিঅ'কে) উদ্ধাৰ কৰা, মথুৰাত কৃষ্ণ জনমভূমি মন্দিৰ, জ্ঞানব্যাপী মছজিদৰ স্থানত কাশী-বিশ্বনাথ মন্দিৰ স্থাপন, ইউচিচি প্ৰৱৰ্তন, লাভ জেহাদ বন্ধ কৰা, দেশৰ সংস্কৃতি-সভ্যতাক ৰক্ষণাবেক্ষণ দিয়া। কংগ্ৰেছে যাতে ৰাম মন্দিৰত পুনৰ বাবৰি মছজিদ নিৰ্মাণ কৰিব নোৱাৰে, তাৰ বাবেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৪০০ খন আসনত জয়ী কৰাৰ প্ৰয়োজন। কংগ্ৰেছ দল, ৰাহুল গান্ধী আৰু আৰজেডিৰ নেতা লালুপ্ৰসাদ যাদৱক ক্ষুৰধাৰ সমালোচনা কৰি ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে কংগ্ৰেছ আৰু ৰাহুল গান্ধীয়ে এতিয়া ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কেতিয়া হ'ব, সেই প্ৰশ্ন নকৰে। কাৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে নিজ হাতেৰে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে। কংগ্ৰেছ আৰু ৰাহুল গান্ধীয়ে ৰাম মন্দিৰলৈ নাযায়। লালুপ্ৰসাদ যাদৱেও নাযায়। পূৰ্বৰ জন্মত তেওঁলোকে ইমান পাপ কৰিছে যে ভগৱানেও তেওঁলোক যোৱাটো নিবিচাৰে। যাৰ বাবে ভগৱানে তেওঁলোকক মতিভ্ৰম কৰি দিছে। এই জনমত ৰাহুল গান্ধী, লালু প্ৰসাদ যাদৱৰ ৰাম মন্দিৰ দৰ্শনৰ সুবিধা নিমিলিব। এয়া মোৰ গেৰাণ্টী। মুছলমানসকলে দুই-তিনিজনী ছোৱালী বিয়া পতা কাৰ্যৰো তীব্ৰ



বিৰোধিতা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে তাৰ বাবেই বিজেপিয়ে ইউচিচি আনিব। এইক্ষেত্ৰত ওৱেছিয়ে মুছলমানসকলে দুই-তিনিজনী ছোৱালী বিয়া কৰোৱাটো তেওঁলোকৰ স্বতন্ত্ৰতা বুলি কোৱা কাৰ্যৰো তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ১১-১২ বছৰ বয়সতে ছোৱালীক বিয়া পতাতো কেনেধৰণৰ স্বতন্ত্ৰতা? অসমত বাল্যবিবাহ বন্ধ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমত বাল্যবিবাহ কৰোৱা ৬ হাজাৰ লোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰি জে'ললৈ পঠিওৱা হৈছে। বাল্যবিবাহ কৰা সেইসকল লোক এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ। সেইদৰে সমগ্ৰ দেশৰ লগতে অসমতো লাভ জেহাদ চলাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে হিন্দুৰ নাম লৈ একাংশই হিন্দু ছোৱালী বিয়া পাতে। বিয়াৰ পাছত গম পায় সেই যুৱকজন হিন্দু নহয়। এই লাভ জেহাদ আমি বন্ধ কৰিব লাগিব। হিন্দুৰ নাম লৈ হিন্দু

(দহ পৃষ্ঠাত চাওক)

## 'কাঁ' মহোৎসৱ ২০২৪ ত প্ৰদৰ্শিত হ'ব অসমত নিৰ্মিত হিন্দী বোলছবি 'কুকি'




ৰঙিলী বাৰ্ত্তাসেৱা- মুক্তিলাভৰ পূৰ্বেই প্ৰতিষ্ঠিত কাঁ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ লাভ কৰিছে অসমত নিৰ্মিত হিন্দী ভাষাৰ ছবি 'কুকি'য়ে। অহা ২৮ জুনত সমগ্ৰ দেশৰ ছবিগৃহত আনুষ্ঠানিকভাৱে মুক্তিলাভৰ পূৰ্বে ছবিখনে কাঁ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ লাভ কৰাত উৎফুল্লিত হৈ পৰিছে ছবিখনৰ সৈতে জড়িত কলা-কুশলীসকল। উল্লেখ্য যে ২১ মে'ৰ পুৱা ১১.৩০ বজাত (স্থানীয় সময় অনুসৰি) পেলেছ এইচত (Palais H) ত প্ৰদৰ্শিত হ'ব অসমত নিৰ্মিত হিন্দী ভাষাৰ বোলছবিখন । এই সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি 'কুকি'ৰ প্ৰযোজক ড° জোনমণি দেৱী খাউণ্ডে কয়, "প্ৰতিষ্ঠিত কাঁ চলচ্চিত্ৰ মহোৎসৱ, ২০২৪ ত মোৰ প্ৰথমখন ছবি 'কুকি' প্ৰদৰ্শন কৰাৰ সুযোগ লাভ কৰি মই অত্যন্ত কৃতজ্ঞ আৰু সন্মানিতবোধ কৰিছোঁ। এই মঞ্চখনে চলচ্চিত্ৰ কলা উদযাপন কৰাই নহয়, বৰং গুৰুত্বপূৰ্ণ বিশ্বজনীন বিষয়বস্তুৰ ওপৰত কথা ক'বলৈও আমাৰ কণ্ঠক প্ৰসাৰিত কৰে। লগতে তেওঁ কয় যে, "কুকিত এনে এটা বিষয় উপস্থাপন কৰা হৈছে, যিটো বিষয়ৰ ওপৰত গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় মনোযোগ আৰু আলোচনাৰ প্ৰয়োজন আছে আৰু সেইবাবে কাঁ চলচ্চিত্ৰ মহোৎসৱত এই ছবিখনৰ উপস্থাপন বিশেষভাৱে গুৰুত্বপূৰ্ণ। মোৰ দৃঢ় বিশ্বাস যে, সজাগতা আৰু অৰ্থপূৰ্ণ আইনী সংস্কাৰৰ দাবী কৰা আমাৰ ছবিখনৰ বিষয়বস্তুটো সমগ্ৰ

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয়ঃ

## মাতৃদিৱসৰ শুভক্ষণত

**স্বাগতা বৰুৱা গোস্বামী**

আই তোক কিহেৰে পুজিমে
আই তোৰ চৰণে দুখানি,
আই অ' কিহেৰে পুজিমে তোক
আই অ' জীৱন দি পুজিমে তোক...

আজি মাতৃ দিৱস। প্ৰথমবাৰৰ বাবে আধুনিক মাতৃ দিৱস ১৯০৮ চনত পশ্চিম ভাৰ্জিনিয়াত আন্না জাৰ্ভিছে মাতৃ গ্ৰাফটনৰ স্মৃতিত পালন কৰিছিল। ভাৰতত মাতৃ দিৱসৰ ধাৰণা একেবাৰেই নতুন। বিশ্বায়নৰ ফলত আমাৰ দেশত আজিকালি বহু দিৱসেই উদযাপন কৰিবলৈ লৈছে তাৰে ভিতৰত মাতৃ দিৱসো অন্যতম। দিৱসবোৰ উদযাপন কৰা হয় আচলতে সেই বিশেষ দিনটোত তেখেতসকলৰ ওপৰত সন্মান জনোৱাৰ উদ্দেশ্যই উদযাপন কৰা হয়। আচলতে আমাৰ এই বিশেষ সমন্ধবোৰৰ বাবে কোনো নিৰ্দিষ্ট দিৱসৰ প্ৰয়োজন নাথাকে। কাৰণ তেওঁলোক আমাৰ কাৰণে সদায়েই বিশেষ। তথাপিও এই বিশেষ দিনটোৰ পবিত্ৰ ক্ষণত মই মমতাৰ আকৰ সকলোগৰাকী মাতৃলৈ শুভেচ্ছা জ্ঞাপন কৰিছো।

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে।
আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ
WhatsApp - 9854215286
Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।
Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# অসমৰ এড়ী আৰু মুগা সূতাৰে প্ৰস্তুত কৰা বস্ত্ৰৰে জিলিকিল ৰামলালা

ৰঙিলী বাৰ্তাসেৱা- অক্ষয় তৃতীয়াৰ পৱিত্ৰ ক্ষণত ভব্য ৰাম মন্দিৰত থকা ৰামলালাক অসমৰ এড়ী আৰু মুগা সূতাৰে প্ৰস্তুত কৰা বস্ত্ৰ পৰিধান কৰোৱা হয়। ৰামলালাৰ আৰতিৰ পূৰ্বে তেওঁক এড়ী আৰু মুগা বস্ত্ৰৰে প্ৰস্তুত কৰা পোছাক পৰিধান কৰোৱা হয়। ভগৱান শ্ৰীৰামক পৰিধান কৰোৱা এই পোছাক প্ৰস্তুত কৰিছে ৰাম মন্দিৰৰ অফিচিয়েল ডিজাইনাৰ মনীষ ত্ৰিপাঠীয়ে। ৰামলালাক পৰিধান কৰোৱা বস্ত্ৰ প্ৰস্তুতৰ বাবে ডিজাইনাৰগৰাকীক ৪০ৰ পৰা ৪৫ দিনৰ সময়ৰ প্ৰয়োজন হৈছিল। এই পোছাক প্ৰস্তুত কৰিবলৈ যাবতীয় এড়ী আৰু মুগাৰ কাপোৰ যোগান ধৰিবলৈ বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল মুখ্যমন্ত্ৰীৰ সহধৰ্মিণীত তথা প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক আৰু গ'ল্ডেন থ্ৰেডছ অৱ আছামৰ সঞ্চালক ৰিণিকি ভূঞা শৰ্মাই। অসমৰ মুগা শিল্পৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে দীৰ্ঘদিন ধৰি কাম কৰি অহা গ'ল্ডেন থ্ৰেডছ অৱ আছামৰ জৰিয়তে তেওঁ ৰামলালাৰ পোছাক প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় এড়ী আৰু মুগাৰ কাপোৰ মন্দিৰ কৰ্তৃপক্ষক যোগান ধৰিছিল। এই বস্ত্ৰ ডিজাইন কৰা মনীষ ত্ৰিপাঠীয়ে সংবাদ মাধ্যমৰ সন্মুখত প্ৰকাশ কৰে যে অক্ষয় তৃতীয়া এক বিশেষ পৰ্ব। হিন্দু সমাজত এই পৱিত্ৰ দিনটোৰ আছে বিশেষ মাহাত্ম্য। প্ৰতি শুকুৰবাৰে ৰামলালাক ক্ৰীম ৰঙৰ পোছাক পৰিধান কৰোৱা



হয় বুলি উল্লেখ কৰি তেওঁ কয়- 'এড়ী সূতাৰ ৰং প্ৰাকৃতিকভাৱেই ক্ৰীম। গতিকে শুকুৰবাৰৰ বাবে ৰামলালাৰ পোছাক প্ৰস্তুত কৰিবলৈ ইয়াতকৈ আৰু সুন্দৰ বিকল্প একো হ'ব নোৱাৰে। ৰামলালাৰ পোছাকৰ জৰিয়তে ভাৰতীয় হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ চহকী পৰম্পৰা প্ৰদৰ্শনৰ মই সদায় চেষ্টা কৰি আহিছোঁ। এড়ী আৰু মুগাৰ সূতাৰে প্ৰস্তুত কৰা পোছাকৰ বাবে মই অসম চৰকাৰৰ সৈতে যোগাযোগ কৰিছিলোঁ। তেতিয়াই ৰিণিকি ভূঞা শৰ্মাৰ সৈতে মোৰ সাক্ষাৎ হ'ল আৰু তেওঁৰ অধীনস্থ গ'ল্ডেন থ্ৰেডছ অৱ আছামৰ পৰা কাপোৰ লাভ কৰিলোঁ। এইকাপোৰ বোৱাৰ পৰা আৰম্ভ কৰি পোছাকযোৰ সম্পূৰ্ণৰূপে প্ৰস্তুত কৰি উলিওৱালৈকে ৪০-৪৫ দিন সময়ৰ প্ৰয়োজন হৈছে। ৰিণিকি ভূঞা শৰ্মাক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। ৰামলালাক এই পোছাক পৰিধান কৰোৱাৰ লগে লগে অসমৰ এড়ী আৰু মুগা শিল্পই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিব।' এড়ী আৰু মুগা সূতাৰে ৰামলালাৰ বাবে বৈষ্ণৱ চিহ্ন শংখ, গদা, পদ্ম আদি সন্নিৱিষ্ট কৰি প্ৰস্তুত কৰা হৈছে বুলিও ত্ৰিপাঠীয়ে জানিবলৈ দিছে। এসপ্তাহৰ বাবে ৰাম মন্দিৰৰ গৰ্ভগৃহত থকা ৰামলালাক এড়ী আৰু মুগাৰে প্ৰস্তুত কৰা পোছাক পৰিধান কৰাই ৰখা হ'ব বুলিও তেওঁ সদৰী কৰে।

# মহানগৰীৰ স্কুল বাছত ব্যাপক বিসংগতি



ৰঙিলী বাৰ্তাসেৱা- স্কুল বাছত ব্যাপক বিসংগতি ধৰা পেলালে পৰিবহণ বিভাগে। মহানগৰীত এনফোৰ্ছমেণ্ট বিভাগে কেবাখনো স্কুল বাছত অভিযান চলাই ধৰা পেলায় বিসংগতি। অভিযানত শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ ৩ খনকৈ বাহন জব্দ কৰে অভিযানকাৰী দলটোৱে। জানিব পৰা মতে, স্কুল বাছসমূহত ছাত্ৰীসকলৰ বাবে যিখিনি সা-সুবিধা থাকিব লাগিছিল, জব্দকৃত এইবাহন সমূহত সেইসমূহ উপলব্ধ নাছিল।

# জামিন পালে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে

ৰঙিলী বাৰ্তাসেৱা- জামিন পালে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। উচ্চতম ন্যায়ালয়ে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ অন্তৰ্বৰ্তীকালীন জামিন আবেদন সন্দৰ্ভত ৰায়দান কৰে। ১ জুনলৈ অন্তৰ্বৰ্তীকালীন জামিন লাভ কৰিলে অৰবিন্দ কেজৰিৱালে। উল্লেখযোগ্য যে আম আদমি পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক কেজৰিৱালক ২১ মাৰ্চত গ্ৰেপ্তাৰ কৰিছিল। উচ্চতম ন্যায়ালয়ে কাৰাবন্দী দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ অন্তৰ্বৰ্তীকালীন জামিন আবেদনৰ শুনানি গ্ৰহণ কৰে। আদালতৰ এই সিদ্ধান্তৰ পিচতে দিল্লীৰ আম আদমী পাৰ্টিৰ কাৰ্যালয়ত ব্যাপক উচাহ দেখিবলৈ পোৱা গৈছে। উল্লেখ্য যে, ২১ মাৰ্চত ইডিয়ে গ্ৰেপ্তাৰ কৰা কেজৰিৱাল বৰ্তমান তিহাৰ কাৰাগাৰত বন্দী হৈ আছে। ইডিৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে কেজৰিৱালে প্ৰথমে দিল্লী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল যদিও ন্যায়ালয়ে এই আবেদন অগ্ৰাহ্য কৰে। ইয়াৰ পিছতে অৰবিন্দ কেজৰিৱাল উচ্চতম ন্যায়ালয়ৰ সৰনাপন্ন হয়। উচ্চতম ন্যায়ালয়ে তেওঁৰ আবেদন গ্ৰহণ কৰি শুনানি গ্ৰহণ কৰে আৰু তেওঁক ১ জুনলৈকে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰে।



গোচৰটোৰ শুনানিৰ সময়ত যোৱা ৭ মে' ত ন্যায়ালায়ে কেজৰিৱালক লোকসভাৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰাৰ বাবে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰাৰ এক ইংগিত প্ৰদান কৰিছিল। অৱশ্যে ন্যায়ালয়ে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিলেও অৰবিন্দ কেজৰিৱালে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰাৰ বাহিৰে মুখ্যমন্ত্ৰী হিচাপে কোনোধৰণৰ অফিচিয়েল ডিউটি পালন কৰিব নোৱাৰিব বুলিও উল্লেখ কৰিছে। অৰবিন্দ কেজৰিৱালে ২ জুনত আত্মসমৰ্পণ কৰিব। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু দীপাংকৰ দত্তৰ খণ্ড বিচাৰপীঠে এই ৰায় প্ৰদান কৰে।

# পদ্মশ্ৰী বিৰুবালা ৰাভাৰ চিকিৎসাৰ দায়িত্ব ল'লে অসম চৰকাৰে

ৰঙিলী বাৰ্তাসেৱা- ২২ এপ্ৰিলৰ পৰা চিকিৎসাধীন হৈ আছে পদ্মশ্ৰী বিৰুবালা ৰাভা। গুৱাহাটী চিকিৎসা ষ্টেট কেঞ্চাৰ ইনষ্টিটিউটত খাদ্যনলীৰ কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ ৭৫ বছৰীয়া পদ্মশ্ৰী বিৰুবালা ৰাভা চিকিৎসাধীন হৈ আছে। পদ্মশ্ৰী বিৰুবালা ৰাভাৰ উন্নত চিকিৎসাৰ বাবে চৰকাৰৰ সহাঁৰি বিচাৰিছিল তেওঁৰ আত্মীয়ই। শেহতীয়াকৈ বিৰুবালা ৰাভাৰ স্বাস্থ্যৰ সন্দৰ্ভত বুজ লবলৈ মুখ্যমন্ত্ৰীয়ে দায়িত্ব দিছে কেবিনেট মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি মন্ত্ৰীগৰাকীয়ে বিৰুবালা ৰাভাৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে প্ৰয়োজনীয় সকলো সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি পৰিয়ালক প্ৰদান কৰিছে। উল্লেখ্য যে ডাইনী হত্যাৰ বিৰোধিতা কৰি সমাজত বিপুল পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল পদ্মশ্ৰী বিৰুবালা ৰাভা। কৰ্মৰাজিৰ বাবে ২০২১ চনত বিৰুবালা ৰাভাৰ ভাৰত চৰকাৰৰ চতুৰ্থ অসামৰিক বঁটা পদ্মশ্ৰী সন্মান প্ৰদান কৰিছিল। অসম চৰকাৰৰ ডাইনী হত্যা প্ৰতিৰোধ আৰু সুৰক্ষা আইন ২০১৫ প্ৰণয়নৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আছে পদ্মশ্ৰী বিৰুবালা ৰাভাৰ।

# অসমক ভাৰতৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত অন্যতম কৰি তুলিবলৈ কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্তাসেৱা- ২০২১ চনৰ ১০ মে'ত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপত লৈছিল ড° হিমন্ত বিশ্ব শৰ্মাই। তৃতীয় বৰ্ষপূৰ্তিৰ এই দিনটোত লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে ৰাজ্যৰ বাহিৰত থকা মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে আজিৰ দিনটোত ৰাজ্যৰ উন্নয়নৰ বাবে অক্লান্তভাৱে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিলে। সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে যে- ২০২১ চনৰ আজিৰ এই শুভ দিনটোতে মোৰ নেতৃত্বতে অসমৰ ৰাইজৰ সেৱা আগবঢ়াবলৈ আমাৰ চৰকাৰক শাসনভাৰ অৰ্পণ কৰা হৈছিল। আজি এই চৰকাৰখনে তিনি বছৰ সম্পূৰ্ণ কৰাৰ লগে লগে অসমক ভাৰতৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ ভিতৰত অন্যতম কৰি তুলিবলৈ অক্লান্তভাৱে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিছে। এই তিনি বছৰীয়া যাত্ৰাত ৰাজ্যবাসীৰ সম্পূৰ্ণ সহাঁৰি, আশীৰ্বাদ আৰু একান্ত সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# জয় ভীম অসম ভীম সেনাৰ ৰাজহুৱা সভা



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী ছয়মাইলস্থিত হোটেল ব্ৰহ্মপুত্ৰত জয় ভীম অসম ভীম সেনাৰ এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত জয় ভীম অসম ভীম সেনাৰ অসমৰ প্ৰায়বোৰ জিলা শিৱসাগৰ, যোৰহাট, লক্ষীমপুৰ, গুৱাহাটী আদিৰ পৰা অহা আহ্বায়ক মণ্ডলী মাধৱ দাস, ৰঞ্জন দাস, সত্যব্ৰত নাৰায়ণ দাস, প্ৰশান্ত দাস, তৃষ্ণা বৰা, (দহ পৃষ্ঠাত চাওক)

# ছোৱাইন ফ্লু'ত আক্ৰান্ত হৈ শিশুৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- বৰাক উপত্যকাত ভয়ংকৰ হৈ পৰিছে মাৰাত্মক ছোৱাইন ফ্লু। ৪৮ ঘণ্টাৰ ভিতৰতে ছোৱাইন ফ্লুত আক্ৰান্ত হৈ মৃত্যু ঘটিছে দ্বিতীয়টো শিশুৰ। ৫ মে'ত হাইলাকান্দিত ছোৱাইন ফ্লুত আক্ৰান্ত হৈ ১৩ মহীয়া এটি কন্যা শিশুৰ মৃত্যু ঘটাৰ পিছতেই কালি পুৱা শিলচৰ মেডিকেল কলেজ হাস্পতালত আক্ৰান্ত হৈ ১৩ মহীয়া এটি কন্যা শিশুৰ মৃত্যু ঘটাৰ পিছতেই শিলচৰ মেডিকেল কলেজ হাস্পাতালত চিকিৎসাধীন হৈ থকা চাৰিমহীয়া এটি কেঁচুৱাৰো একে ৰোগতে মৃত্যু হয়। হাস্পতালখনৰ সামাজিক আৰু প্ৰতিৰোধমূলক চিকিৎসা বিভাগৰ অধ্যাপক ডাঃ অজিত দে'ই জনোৱা মতে শিলচৰ চহৰৰ উত্তৰ কৃষ্ণপুৰৰ বাসিন্দা চাৰিমহীয়া কেঁচুৱাটো যোৱা ১২ এপ্ৰিলত নিউমোনিয়া ৰোগত আক্ৰান্ত হৈ হাস্পতালখনত ভৰ্তি হৈছিল। পৰৱৰ্তীত শিশুটি ছোৱাইন ফ্লুত আক্ৰান্ত হোৱা বুলি নিশ্চিত হয় চিকিৎসক। তাৰ পিছৰে পৰা শিশুটিক সুস্থ কৰি তুলিবলৈ চিকিৎসকে আপ্ৰাণ চেষ্টা কৰিলেও শিশুটিৰ মৃত্যু হয়। বৰ্তমানেও হাস্পতালখনত আন দুটি শিশু ছোৱাইন ফ্লুত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছে বুলি জানিব পৰা গৈছে। উল্লেখ্য (দহ পৃষ্ঠাত চাওক)

# যোৰহাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে অধিবক্তা পাৰ্থজ্যোতি গগৈক



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাটত এগৰাকী অধিবক্তাৰ কৰ্মকাণ্ডক লৈ বিভিন্ন মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ন্যায়ালয়ৰ নথি-পত্ৰ, চহী-ছীল জালিয়াতি কৰি সংঘটিত কৰা এক প্ৰৱঞ্চনাৰ ঘটনাৰ পিছত ৰঙা ঘৰৰ আলহী হ'ব লগা হ'ল যোৰহাটৰ এগৰাকী অধিবক্তা। যোৰহাটত অধিবক্তাগৰাকীৰ এই কাণ্ডক বহুতে দুঃসাহসিক, অবিবেচক কাণ্ড ৰূপে অভিহিত কৰিছে। কাৰণ ন্যায়ালয়ৰ নথি-পত্ৰ, চহী-ছীল জাল কৰি ভুৱা গোচৰৰ নামত প্ৰৱঞ্চনাৰ জাল পেলাই গোচৰীয়াক ভুৱা চেক পৰ্যন্ত প্ৰদান কৰিছিল পাৰ্থজ্যোতি গগৈ নামৰ অধিবক্তাগৰাকীয়ে। (দহ পৃষ্ঠাত চাওক)

# ঘৰৰ ভিতৰতে পুতি থোৱা অৱস্থাত মহিলাৰ মৃতদেহ উদ্ধাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বৰঝাৰ বিমান বন্দৰৰ সমীপৰ ডেকাপাৰাত সংঘটিত হৈছে চাঞ্চল্যকৰ ঘটনা। ডেকাপাৰাত ঘৰৰ ভিতৰত গাঁত খান্দি পুতি থোৱা অৱস্থাত মহিলাৰ মৃতদেহ উদ্ধাৰ হৈছে। ইয়াকে লৈ সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। জানিব পৰা মতে, এবছৰমান ধৰি এক পঞ্চাশ উৰ্ধৰ দম্পত্তিয়ে ভাৰাতীয়া হিচাপে ঘৰটোত বাস কৰি আছিল। বিগত কিছুদিনৰ পৰা স্থানীয় লোকে দুয়োকে দেখা নাছিল যদিও বিষয়টো বিশেষ গুৰুত্ব দিয়া নাছিল। কিন্তু মঙলবাৰে দুপৰীয়া এগৰাকী স্থানীয় লোকে ঘৰটোৰ চৌহদলৈ আহি গোন্ধ পোৱাৰ পিচত সন্দেহ প্ৰকাশ কৰি আজাৰা থানাত খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ দণ্ডাধীশৰ উপস্থিতিত ঘৰৰ ভিতৰত গাঁত খান্দি পুতি থোৱা মহিলাৰ মৃতদেহটো উলিয়াই আনে। আনহাতে মহিলাগৰাকীৰ স্বামী প্ৰায় পাঁচদিন ধৰি নিৰুদ্দেশ হৈ থকালৈ লক্ষ্য কৰি স্বামীয়ে পত্নীক হত্যা কৰি ঘৰৰ ভিতৰত গাঁত খান্দি পুতি থৈ পলায়ন কৰা বুলি সন্দেহ কৰিছে। আনহাতে উক্ত ভূমিৰ গৰাকী ধাৰাপুৰ খানামুখৰ বাসিন্দা ধ্ৰুৱ জ্যোতি কাকতিয়ে বিগত প্ৰায় ১৫ বছৰ ধৰি উক্ত ভূমিলৈ অহা নাই বুলি মন্তব্য কৰাৰ বিপৰীতে পূৰ্বৰ প্ৰকৃত মালিক সত্য দাসে ধ্ৰুৱ জ্যোতি কাকতি আহিলে অত্যাচাৰ কৰাৰ লগতে দাবী ধমকি দি খেদি পঠাই বুলি মন্তব্য কৰে। এই গৰাকী সত্য দাসে দম্পত্তি হালক ভাৰতীয় হিচাবে থাকিব দিয়া বুলিও মন্তব্য কৰে ধ্ৰুৱজ্যোতিয়ে। তাৰ বিপৰীতে সত্য দাসে এই সন্দৰ্ভত একো নাজানো বুলিহে মন্তব্য কৰাৰ লগতে মাটিৰ গৰাকী ধ্ৰুৱজ্যোতি কাকতিৰ ঘৰতো ৰখিয়া হিচাপে বৃদ্ধ দম্পত্তি থোৱা বুলি অভিযোগ কৰে। আনহাতে স্থানীয় লোকে জানিব দিয়া মতে বৃদ্ধা দম্পত্তি হালে প্ৰায়ে কাজিয়াত লিপ্ত হৈছিল। ঘটনাস্থলীত উপস্থিত চিআইডি, ফৰেনচিকৰ দল আৰু পশ্চিম সংগমগুল আৰক্ষীৰ উচ্চপদস্থ বিষয়া উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে।

# গোলাঘাটৰ জামুগুৰি আদৰ্শ জাতীয় বিদ্যাপীঠৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফলে আশাৰ বতৰা দিছে




ৰঙিলী বাৰ্ত্তাসেৱা- গোলাঘাটৰ জামুগুৰি আদৰ্শ জাতীয় বিদ্যাপীঠৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ঘোষণা হোৱা ফলাফলত ছাত্ৰ- ছাত্ৰীৰ সাফল্যই অঞ্চলটোলৈ আনন্দৰ ধল বোৱাইছে। সমগ্ৰ অঞ্চলটোৰ ভিতৰতে শিল্পী শিখা ভূএগাই ডিচটিংচনসহ ৮৯.৪ শতাংশ নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে। ডিচটিংচন লাভ কৰা আন দুজন ছাত্ৰ- ছাত্ৰী ক্ৰমে ৰাজ শ্ৰী দত্ত (৮৮.৪%), সাৰঙ্গ দত্ত (৮৫%)। উল্লেখ যে এই বিদ্যালয়ৰ পৰা ৯ গৰাকী ছাত্ৰ- ছাত্ৰীয়ে ষ্টাৰ নম্বৰ পাইছে। উত্তীৰ্ণৰ হাৰ এশ শতাংশ। প্ৰথম বিভাগত ৩০ জন আৰু দ্বিতীয় বিভাগত ৮ গৰাকী উত্তীৰ্ণ হৈছে। স্মৰণ যোগ্য যে এই বিদ্যালয় খন হাই স্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলতো জিলিকি উঠিছে। অঞ্চলতটিত জামুগুৰি আদৰ্শ জাতীয় বিদ্যাপীঠে শিক্ষাৰ ক্ষেত্ৰত এক শুভ প্ৰভাৱ পেলাইছে।

# ডিব্ৰুগড়ত নব নিৰ্বাচিত বাঙালী যুব ছাত্ৰ ফেডাৰেচনৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক তাপস দাসক আদৰণি




ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ৫ মে'ত ডিব্ৰুগড় চৰকাৰী পেঞ্চনাৰ ভৱনত দলীয় কৰ্মকৰ্তাই সদৌ অসম বাঙালী যুব-ফেডাৰেচনৰ কেন্দ্ৰীয় সমিতিৰ নৱ-নিৰ্বাচিত সহকাৰী সাধাৰণ সম্পাদক তাপস দাস নিৰ্বাচিতহৈ গৃহ জিলা ডিব্ৰুগড়ত উপস্থিত হোৱাত তেওঁক বিপুল আদৰণি জনায়। পেন্সন ভৱনত এই উদ্দেশ্যে অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত অংশ গ্ৰহণ কৰি দাসে বঙালী জাতিৰ লগতে অসমৰ ৰাইজৰ হৈ সেৱা আগবঢ়াই নিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে যোৱা ২৯ আৰু ৩০ মাৰ্চত ওদালগুৰিৰ টংলাত অনুস্থিত হোৱা ১৭ সংখ্যক দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ প্ৰতিনিধি সভাই তাপস দাসক কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক হিচাপে নিৰ্বাচিত কৰে। এই উদ্দেশ্যে সভাত ডিব্ৰুগড় জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক মৃদুল শৰ্মা, সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি দিগন্ত শইকীয়া, সাংগঠনিক সম্পাদক প্ৰদীপ নেওগ, সমাজ সেৱক দেবব্ৰত পাল প্ৰমুখ্যে বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

# প্ৰাকৃতিক কবি সন্মিলন সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- অসম প্ৰাকৃতিক কবি সন্মিলনৰ পঞ্চত্ৰিংশতিতম্ বাৰ্ষিক অধিৱেশনৰ গ্ৰন্থ উন্মোচনী সভাখন গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে পক্ষীবিদ তথা দৈনিক বাতৰি কাকতৰ মুখ্য সম্পাদক ভুৱনেশ্বৰ শৰ্মাই। মুখ্য অতিথি হিচাপে থাকে অধ্যাপক ড° অমূল্য বৰ্মণ, প্ৰবীন অভিনেতা দীনেশ দাস, বিশিষ্ট অতিথি, অধ্যাপক ডা° প্ৰশান্ত শৰ্মা, উপ-সভাপতি ড° দ্বীপেন্দ্ৰ কুমাৰ নাথ, ড° খায়াম উদ্দিন আহমেদে উপস্থিত থাকে। গ্ৰন্থ উন্মোচন কৰি ড° প্ৰশান্ত শৰ্মাই কবিতাৰ ওপৰত মনোজ্ঞ বিশ্লেষণ দাঙি ধৰে। মুখ্য সম্পাদকৰ অনুপস্থিতিৰ বাবে ড° খায়াম উদ্দিন আহমেদে সভাৰ কাম সুচাৰুৰূপে পৰিচালনা কৰে। সভাত বন্তি প্ৰজ্বলন কৰে কবি পূৰ্ণানন্দ শৰ্মাই। ডাঃ নীলোৎপল বড়াই আৰম্ভণি গীত পৰিৱেশন কৰে। মনোহৰ চৌধুৰীৰ দুহিতা মৌচুমী চৌধুৰী আৰু ডাঃ শিখাৰাণী চৌধুৰী, বোৱাৰী পাৰুল চৌধুৰী, ৰঞ্জনা পাঠক, গীতাৰাণী ডেকা, জয়া গোস্বামী, আকাশ নীলিম ৰাভা, কক্ষ্যজিৎ বৰুৱাই সভা পৰিচালনাত সহযোগ কৰে। সভাত কবিতা পাঠ আৰু ভাষণ পালপাতি উপস্থাপন কৰে। কবিতা পাঠ অনুষ্ঠান সঞ্চালনা কৰে ধনজিৎ তালুকদাৰে। সভাত অভিনেতা দীনেশ দাসে হাস্য ব্যঙ্গ কথাৰে দৰ্শকক মোহিত কৰে আৰু তেওঁ ১২২ খন চিনেমা কৰাৰ কথা কয় আৰু সহজানন্দ বৰদলৈৰ পৰা হাঁহি আৰু ব্যঙ্গৰ শিক্ষা পোৱা বুলি স্মৰণ কৰে। প্ৰাকৃতিক কবি সন্মিলনত প্ৰকৃতি বিষয়ক কবিতা পাঠে উপস্থিত দৰ্শক ৰাইজক আনন্দ দিয়াৰ লগতে পৰিৱেশৰ উত্তৰণত সহায় কৰা বুলি অধ্যাপক ড° অমূল্য বৰ্মণে কয়। কবিতা পাঠ অনুষ্ঠানত কবিতা পাঠ কৰে ক্ৰমে কামিনী মোহন শৰ্মা (বজালী), আকাশ নীলিম ৰাভা, মীনা তালুকদাৰ (পাঠশালা), সিন্ধুমণি শৰ্মা (বাক্সা), গৰিমা ভৰদ্বাজ

*(দহ পৃষ্ঠাত চাওক)*

# ঘোষণা হ'ল উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল

ৰঙিলী বাৰ্ত্তাসেৱা- ঘোষণা হ'ল উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল। ঘোষিত ফলাফল অনুসৰি কলা শাখাত ৮৯.১৮ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। বিজ্ঞান শাখাত ৮৯.৮৮ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ বিপৰীতে বাণিজ্য শাখাত উত্তীৰ্ণ হৈছে ৮৭.৮০ শতাংশ ছাত্ৰ-ছাত্ৰী। তিনিওটা শাখাতে ২০২৩ বৰ্ষৰ তুলনাত এইবাৰ উত্তীৰ্ণৰ হাৰ যথেষ্ঠ উন্নত। ২০২৩ বৰ্ষত কলা শাখাত উত্তীৰ্ণ হৈছিল ৭০.১২ শতাংশ ছাত্ৰ-ছাত্ৰী, বিজ্ঞান শাখাত উত্তীৰ্ণ হৈছিল ৮৪.৯৬ শতাংশ ছাত্ৰ-ছাত্ৰী আৰু বাণিজ্য শাখাত উত্তীৰ্ণ হৈছিল ৭৯.৫৭ শতাংশ ছাত্ৰ-ছাত্ৰী। এইবাৰৰ ফলাফল অনুসৰি কলা শাখাত মুঠ ৪০,৪৯৯ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে ৬৫,৫৩২ গৰাকী শিক্ষাৰ্থী, তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে ৭২,৭৭৫ গৰাকী শিক্ষাৰ্থী। এইবাৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কলা শাখাত অৱতীৰ্ণ হোৱা ২,০০,৪৯৫ গৰাকীৰ ভিতৰত উত্তীৰ্ণ হয় ১,৭৮,৮০৬ গৰাকী। বিজ্ঞান শাখাত অৱতীৰ্ণ হৈছিল ৫৪,৪৬০ গৰাকীৰ ভিতৰত ৪৮,৯৫৩ গৰাকী উত্তীৰ্ণ হয়। আনহাতে বাণিজ্য শাখাত ১৭,৩০৭ গৰাকী অৱতীৰ্ণ হৈছিল।

# তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত অসমত অভিলেখ সংখ্যক ভোটদান

ৰঙিলী বাৰ্ত্তাসেৱা- তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত অসমত অভিলেখসংখ্যক ভোটদান। তৃতীয় পৰ্যায়ত ৮১.৬১ শতাংশ ভোটদানৰ হাৰেৰে দেশৰ ভিতৰতে শীৰ্ষত অসম। তৃতীয় তথা অন্তিম পৰ্যায়ত অসমৰ চাৰিটা সমষ্টিত অনুষ্ঠিত হৈছিল ভোটগ্ৰহণ। গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত অনুষ্ঠিত হৈছিল নিৰ্বাচন। ধুবুৰী সমষ্টিত সৰ্বাধিক ৯২.৬৮ শতাংশ ভোটদান সাব্যস্ত হয়। ইয়াৰ লগতে গুৱাহাটীতো অভিলেখসংখ্যক ৭৫.৬৭ শতাংশ ভোটদান হয়। বৰপেটা সমষ্টিত ৮২.২ শতাংশ ভোটদান হোৱাৰ লগতে কোকৰাঝাৰত ভোটদানৰ হাৰ ৮০.৪৪ শতাংশ। ইফালে, তৃতীয় পৰ্যায়ত বিহাৰত ভোটদানৰ হাৰ ৫৮.১৮ শতাংশ। ছত্তীশগড়ত ভোটদানৰ হাৰ ৭১.০৬ শতাংশ, গোৱাত ৭৫.২০ শতাংশ, গুজৰাটত ভোটদানৰ হাৰ ৫৮.৯৮ শতাংশ। একেদৰে কৰ্ণাটকত ভোটদানৰ হাৰ ৭০.৪১ শতাংশ, মধ্য প্ৰদেশত ভোটদানৰ হাৰ ৬৬.০৫ শতাংশ, মহাৰাষ্ট্ৰত ভোটদানৰ হাৰ ৬১.৪৪ শতাংশ, উত্তৰ প্ৰদেশত ভোটদানৰ হাৰ ৫৭.৩৪ শতাংশ আৰু পশ্চিম বংগত ভোটদানৰ হাৰ ৭৫.৭৯ শতাংশ। উল্লেখযোগ্য যে তৃতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ পিছতে অসমত সামগ্ৰিকভাৱে অন্ত পৰে লোকসভা নিৰ্বাচন।

# লক্ষীনগৰ উন্নয়ন সমিতিৰ প্ৰতিষ্ঠাপক সদস্য সমাজকৰ্মী মুনিন শইকীয়া পৰলোক



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় জিলাৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত মানকটা লক্ষীনগৰ ১ নং পথৰ নিবাসী তথা লক্ষীনগৰ উন্নয়ন সমিতিৰ প্ৰতিষ্ঠাপক সদস্য, সমাজ সেৱক, ৰেল বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মুনিন শইকীয়াৰ ৭৫ বছৰ বয়সত ৭ মে'ত দেহাৱসান ঘটে। কিছুদিনৰ পৰা বৃক্ক ৰোগত আক্ৰান্ত হৈ থকা শইকীয়াই লক্ষীনগৰ নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। সমাজ কৰ্মী মুনীন শইকীয়াই মৃত্যুৰ সময়ত পত্নী সহ দুই সন্তান বোৱাৰী, নাতি-নাতিনীৰ লগতে আত্মীয় স্বজনক ইহসংসাৰত এৰি গৈছে। সমাজ সেৱক মুনীন শইকীয়াৰ মৃত্যুত ডিব্ৰুগড়ৰ লক্ষীনগৰৰ ৰাইজে গভীৰ শোক প্ৰকাশ কৰা লগতে শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। লক্ষীনগৰ উন্নয়ন সমিতিৰ সভাপতি, সুনীল ৰাজকোঁৱৰ, সম্পাদক প্ৰশান্ত শইকীয়া, সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি দিগন্ত শইকীয়া, সম্পাদক, প্ৰাঞ্জল দত্তই শোক প্ৰকাশ কৰিছে।

# কৰিমগঞ্জৰ আছিমগঞ্জ বাছ দুৰ্ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- কৰিমগঞ্জৰ আছিমগঞ্জ এলেকাত সংঘটিত হৈছে এক ভয়ংকৰ দুৰ্ঘটনা। দুৰ্ঘটনাগ্ৰস্ত হয় এখন যাত্ৰীবাহী বাছ। আনিপুৰ আছিমগঞ্জ পথৰ পূৰ্বগুল এলেকাত নিয়ন্ত্ৰণ হেৰুৱাই খেতিপথাৰ বাগৰি পৰে যাত্ৰীবাহী বাছখন। আল্ট্ৰা বাছখন দুৰ্ঘটনাত পতিত হোৱাৰ ফলত প্ৰায় ২৫ গৰাকী যাত্ৰী আঘাতপ্ৰাপ্ত হৈছে। নিভিয়া বজাৰৰ পৰা কৰিমগঞ্জ অভিমুখে গৈ আছিল যাত্ৰীবাহী বাছখন। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি চালকগৰাকী মদ্যপান কৰি বাছ চলোৱাৰ বাবে দুৰ্ঘটনাটো সংঘটিত হৈছে।

# প্ৰস্তুতি পৰাশৰ অভিনীত নতুন অসমীয়া চিনেমা 'প্ৰতিশ্ৰুতি'




ৰঙিলী বাৰ্ত্তাসেৱা- ২৪ মে'ৰ পৰা তিনি চাৰি সপ্তাহলৈ চিনেমা হলত হিন্দী চিনেমা চলাবলৈ মানা কৰিছে আলফা (স্বাধীন)-এ। উল্লেখ্য যে অহা ২৪ মে'ত মুক্তি লাভ কৰিব ড্ৰাগছক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা 'প্ৰতিশ্ৰুতি' নামৰ চিনেমাখন। অসমৰ ৰাইজক এই চিনেমাখন চাবলৈ আলফাই আহ্বান জনাইছে আৰু চিনেমাখন চলি থকা সময়ত, অন্ততঃ তিনি চাৰি সপ্তাহলৈ অসমত হিন্দী চিনেমা নচলাবলৈ কৈছে আলফাৰ আনুষ্ঠানিক বিবৃতিত।

# মাতৃ দিৱসত মোৰ অনুভৱ

মধুস্মিতা শৰ্মা, সোণাপুৰ

“ নৈৰ সমান ব'ব কোন, আইৰ সমান হ'ব কোন!”

মাতৃ দিৱস বুলি ক'লে মোৰ বাবে বৰ আচহুৱা লাগে। 'মা' শব্দটো জানো এদিনৰ বাবে। গৰ্ভত স্থিতি লোৱা দিন ধৰি মৃত্যু পৰ্য্যন্ত এই শব্দটোৰ সৈতে উশাহ লৈ থাকোঁ। জীৱনত এনেকুৱা এটা মুহূৰ্ত নাই, যি মুহূৰ্তত মাৰ কথা স্মৰণ কৰা নাই। জনাকৈয়ে বা নজনাকৈয়ে মাৰ কথা, মাৰ আদৰ্শ বুকুত বান্ধি লৈ ফুৰিছোঁ। বা জীৱনক আগুৱাই নিছো।

'মা' শব্দটো বৰ বিশাল। সকলো ধুমুহা-বজ্ৰপাতকো আওকাণ কৰি মাকে নিজৰ সন্তানক নিৰাপত্তা দিয়ে। ডাঙৰ-দীঘল কৰে। হাজাৰ কষ্টত থাকিলেও সন্তানৰ মুখখন দেখিয়েই সকলো পাহৰি যায়। সন্তান ভালেই হওক বা বেয়াই হওক একে মমতাৰে ডাঙৰ-দীঘল কৰে। একেখন আঁচলেৰে আঁকোৱালি লয়। ইমান কষ্টকৰ প্ৰসৱ বেদনাকো সহ্য কৰি সন্তান জন্ম দিয়ে। মাৰ মৰমত কিমান আপোনত্ব আছে সেই কথা দুনাই ক'ব নালাগে।

সন্তানৰ বাবে আইৰ বুকুখনতকৈ নিৰাপত্তাৰ ঠাই আৰু ক'তো নাই। মাতৃ আৰু সন্তানৰ সম্পৰ্ক বৰ দৃঢ় আৰু আপোনতকৈও আপোন। সন্তানৰ কিবা বিপদ হ'লে মাকে অনুমান কৰিব পাৰে। মাকৰ আগত কোনো সন্তানেই মিছা মাতিব নোৱাৰে।

'মা' এখন বোৱতী নদী। জীৱনৰ সকলো অত্যাচাৰ, লাঞ্ছনা-গঞ্জনা, তোষামোদ, যন্ত্ৰণা বুকুত বান্ধি বৈ যায় খলা-বমা নেওচি। জীৱনৰ কোনো বাধাই মাকক সন্তানক ডাঙৰ কৰি পঢ়াই শুনাই মানুহ গঢ়াত বাধা দিব নোৱাৰে। মা এটা প্ৰবল শক্তি। মাৰ ধৈৰ্য্যও অপাৰ। সকলো পৰিস্থিতিকে সুন্দৰকৈ, নিয়াৰিকৈ চম্ভালীব পাৰে । এই মাৰ কাৰণে কেৱল এটা দিন! বিশ্বায়ণৰ যুগত পৃথিৱীখন একেবাৰে সৰু হৈ পৰিছে। বিভিন্ন দেশত উদযাপন কৰা ঘটনাবোৰ বা উৎসৱবোৰে



আমাৰ দেশতো শিপাবলৈ আৰম্ভ কৰিছে। মাতৃ দিৱস পোন-প্ৰথমে ভাৰতৰ অন্যদেশবোৰতকৈ পালন কৰিছিল। আৰু আহি আহি এতিয়া ভাৰতবৰ্ষ লগতে অসমতো বৰ বহুল ভাৱে উদযাপন কৰা হৈছে।

যিসকল কৰ্মৰত পুত্ৰ-কন্যাই মাকৰ খবৰ ৰাখিবলৈ সময় নাপাই, সেইসকলেই মাতৃ দিৱসৰ দিনা মাকৰ খবৰ লয়। বিশেষকৈ স্বাস্থ্য পাতিৰ খবৰ লৈ চিকিৎসা ব্যৱস্থা কৰে। মাকক অলপ সময় দিয়ে, সঙ্গ দিয়ে। কথা পাতে।

এই মাতৃ দিৱস বছৰত কোনোবা দেশত এপ্ৰিল মেত যেনে-উত্তৰ গোলাৰ্দ্ধত। আৰ্জেন্টিনাত অক্টোবৰ মাহত আৰু অষ্ট্ৰেলিয়াত মে মাহত পালন কৰা হয়। পোন-প্ৰথমতে ১৯০৮ চনত পশ্চিম ভাৰ্জিয়ানাত আন্না জাৰ্ভিছে মাতৃ গ্ৰাফটনৰ স্মৃতিত মাতৃ দিৱস পালন কৰিছিল। কিন্তু সেইটো আজি যি আমি মাতৃ দিৱস পালন কৰিছো সেইটোৰ দৰে নহয়। সেয়ে ১৯১২ চনত আন্না জাৰ্ভিছে মে মাহৰ দ্বিতীয়টো দেওবাৰে “মাডাৰছ ডে ইনটাৰনেছনেল এছ'চিয়েছন” গঠন কৰিছিল আৰু তাতেই প্ৰতিবছৰে এইদিনটোক “মাতৃ দিৱস” হিচাবে উদযাপন কৰিবলৈ সিদ্ধান্ত লৈছিল। তেখেতে কৈছিল প্ৰতিটো পৰিয়ালে নিজৰ নিজৰ মাতৃক সন্মান জনোৱা উচিত। মাতৃৰ ত্যাগ আৰু পৰিয়ালটোত তেখেতৰ অৱদান, তেখেতৰ স্থান, সন্তানৰ প্ৰতি কৰা মাতৃৰ দায়বদ্ধতা, এই সকলোবোৰক এইদিনটোত স্মৰণ কৰি তেখেতক সন্মান জনোৱা উচিত। আৰু সেই তেতিয়াৰ পৰাই প্ৰায়বোৰ দেশতে মাতৃ দিৱস পালন কৰা হৈছে । আজি কেইবছৰমানৰ পৰা আমাৰ অসমতো বৰ আড়ম্বৰপূৰ্ণ ভাৱে “মাতৃ দিৱস” পালন কৰা হৈছে।

অৱশ্যে কথাটো ঠিক। বৰ্তমান প্ৰতিযোগিতাৰ দিনত, জনসংখ্যা বিস্ফোৰণৰ ফলত মাতৃ আৰু সন্তানৰ সম্পৰ্কৰ দূৰত্ব বাঢ়িছে। কৰ্ম সংস্থাপনেই হওক বা পঢ়া-শুনাৰ ক্ষেত্ৰতেই হওক সন্তান মাতৃৰ পৰা বহুত বছৰ বা দিন ধৰি আতৰি থাকিব লগা হৈছে। সন্তানে মন কৰিও নিজৰ মাকক উপযুক্ত সময় বা পৰিচৰ্য্যা কৰিব পৰা নাই। সেয়ে তেখেতসকলৰ বাবে বছৰটোত অন্ততঃ এটা দিন মাকৰ নামত পালন কৰিবলৈ সুবিধা পাব। মাকৰ সৈতে সময় কটাব, ফুৰাবলৈ নিব, মাকক সঙ্গ দিব। মাকৰো মনবোৰ মুকলি হ'ব।

( নপৃষ্ঠাত চাওক)

## আত্মবিশ্বাসৰ নদী

চবিন চন্দ্ৰ নাথ, মৈৰাপুৰ, ৰাণী



মোৰ দুঃসাহসৰ
যাত্ৰাৰ প্ৰতিটো কেঁকুৰিত
উজাগৰী নিশা কটোৱা
সুখ দুখৰ গোপন কক্ষত
হাত দুখন আগবঢ়াই দিলে
মই পিয়াহ পলুৱাই পানী খাম
আত্মবিশ্বাসৰ নদীখনত।
মোৰ অভিভাৱকহীন মনটোক
পাখি সৰাল দিবলৈ
মই হেঁপাহ পলুৱাই পানী খুৱাম
অগাধ বিশ্বাসেৰে
আত্মবিশ্বাসৰ নদী এখন দিলে।
মই সাহসী মানুহৰ সন্তান
যুক্তি যদি যুক্তিপূৰ্ণ হয়
তোমাৰ আত্মবিশ্বাসৰ নদীখনৰ পানী
হেঁপাহ পলুৱাই খাম।



## সাৱধান

অনামিকা (সংগীতা) কলিতা, শুৱালকুছি

বতাহীয়ে ৰাতিপুৱা গা-পা ধুই গোঁহাই ঘৰত বন্তি গছি জ্বলাই সেৱা কৰিলে, আজি তাইৰ একমাত্ৰ ছোৱালী জনীৰ জন্মদিন, তাই পাঁচ বছৰত ভৰি দিলেহি। বিগত বৰ্ষবোৰৰ দৰে এই বেলিও ধুমধামেৰে দিনটো পালন কৰাৰ বাবে, পতি-পত্নী দুয়ো নিজ নিজ কামত ব্যস্ত হৈ পৰিল। পৰিয়াল বুলিলে তাইৰ শাহুৱেকেও থাকে।

কাষৰ পৰিয়ালটিৰ ল'ৰা নয়নে মাজে সময়ে তেওঁলোকক সহায়ৰ হাত আগবঢ়াই, ৰমেনেও তাক পইচা পাতি লাগিলে তাক দিয়ে। সেইদিনাখন ৰমেনে তাক বজাৰ কৰিবলৈ লগত লৈ গ'ল। বজাৰৰ পৰা বয়বস্তুৰ টোপোলবোৰ নয়নৰ হাতত দি পথালে। নয়নে বয় বস্তুবোৰ ঘৰলৈ আনি বতাহীক চমজাই দিলে, ইয়াৰ পাচত সি ৰুমটো ভালকৈ সজাই দিলে আৰু আইতাকৰ পৰা ছোৱালী জনীক কোলাত লৈ তাৰ নিজৰ ঘৰলৈ গ'ল। কিছু সময় পিছত ৰমেন আহি পালে, জীয়েকক বিচাৰিলে। তেতিয়া ঘৈণীয়েকে নয়নে তাৰ ঘৰলৈ মাইনাক লৈ যোৱা বুলি। কথাষাৰ শুনি ৰমেনে ভাল নাপালে অকণমান মৃদু ক্ষোভত ঘৈণীয়েকক ক'লে- “তোমাৰ সোণৰ চেইনডাল নয়নক ভালদৰে থ'ব দিবানে?” যদি নিদিয়া তেনেহ বৰ্তমান সময়ত সৰু ছোৱালী এজনীক চিনাকী হলেও ল'ৰা এজনৰ লগত অকলে পঠোৱাটো তুমি মা হিচাপে শুদ্ধ নে? যদি নহ'ব লগীয়া কিবা অথন্তৰ হ'লে দায়ী কোন হ'ব? এনেকৈ কিছু প্ৰশ্নৰ অৱতাৰণা হ'ল!

গিৰিয়েকৰ কথাষাৰ শুনি বতাহীৰ খুব ভয় লাগিল। তাই অনুভৱ কৰিলে কথাটো নোহোৱা নহয়, ঠিকে কৈছে বিপদ কেতিয়া আহে কোনে জানে!! তাই এখন্তেকো পলম নকৰি নয়নৰ ঘৰ পালে আৰু মইনাক লৈ আহিল।

অণুগল্পঃ

## স্বাৰ্থ

অনিতা গগৈ, নগাঁও

ঃ হঠাতে বাবোৱে ককাকক দেখি দৌৰি ককাকৰ কোচত উঠি গালদুখন পিটিকি দিলে। ককায়েও মৰম কৰিবলৈ ধৰিলে।

ঃ হেৰা খবৰ নিদিয়াকৈ যে দেউতা ওলালহি ?

ঃ পুতেকৰ ঘৰলৈহে আহিছে কিয় খবৰ দিব লাগে ।

ঃ মোৰ আজি মিটিং আছে মই সময় দিব নোৱাৰিম।

ঃ হ'ব তেনেহলে কিবা এটা কৰিব লাগিব।

ঃ অ' তোমাক ক'বলৈ পাহৰিছিলো আমাৰ বাবোক চোৱা- চিতা কৰা আয়াজনী এসপ্তাহ বোলে আহিব নোৱাৰে।

ঃ হা এতিয়া কি হব । এইসপ্তাহ দেউতাক ইয়াতে থাকিবলৈ ক'বা।

# আন্তৰ্জাতিক মাতৃ দিৱস ঃ এটি পৰ্যালোচনা




নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা

প্ৰাচীন গ্ৰীক সভ্যতা মতে দেৱতাসকলৰ মাতৃ ৰেহাক (Rhea) বসন্ত কালত শ্ৰদ্ধা নিবেদন কৰিবলৈ এটি উৎসৱ উদযাপন কৰা হৈছিল। তাৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰত মাতৃ দিৱস পালন কৰিবলৈ সকলো খৃষ্টধৰ্মী লোকসকলে দেওবাৰে গীৰ্জাত সমবেত হৈছিল।

বিশেষ উৎসৱ পৰা জনা যায় যে, ১৮০০ চনৰ ভিতৰত মিচিগানৰ আলবিয়নত জুলিয়েট কেলহেইন ব্লেকলিয়ে(Juliet Calhain Blakley) মাতৃ দিৱস পালন কৰিবলৈ নিৰ্দেশ দিয়া মৰ্মে তেওঁৰ সন্তান সকলে মাতৃক উদ্দেশ্যি মাতৃ দিৱস পালন কৰিছিল। ১৮৭০ চনত আমেৰিকাৰ নিবাসী জুলি ৱৰ্ড হো ( July Word Howe) আৰু আন্না জুলিয়ে (Anna Julie) পোন প্ৰথমবাৰৰ বাবে আধুনিক চিন্তাধাৰাৰ আধাৰত মাতৃ দিৱস উদযাপন কৰে। আৰু মাতৃ দিৱসৰ মূল তাৎপৰ্য সম্পৰ্কে আলোকপাত কৰি আন্না জুলিয়ে (Anna Julie) কৈছিল যে, “Mothers should be single possessive for each family to honour its mother, not a plural possessive commemorate all mothers of the world ” অৰ্থাৎ মাদাৰ্ছ মানে পৃথিৱীৰ প্ৰতি গৰাকী মাতৃক স্মৃতি তৰ্পণ কৰা বহুবচনাত্মক সমন্ধ কাৰক নহয়, প্ৰতিটো পৰিয়ালে নিজ- নিজ মাতৃক সন্মান প্ৰদৰ্শন কৰা একবচনাত্মক সম্বন্ধ কাৰক হোৱা উচিত।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফিলেডেলফিয়াৰ (Philadelphia) আন্না জাৰভিছৰ (Anna Jarvis) মাতৃ গ্ৰাফটনে নাৰী সকলক সংগঠিত কৰি তেওঁলোকৰ মাজত বন্ধুত্ব আৰু স্বাস্থ্যক অক্ষুণ্ণ ৰাখিবলৈ মাতৃ দিৱসৰ ধাৰণা সৃষ্টি কৰিছিল। আন্না জাৰভিছে মাতৃৰ জন্মদিনত মাতৃৰ স্মৃতি ৰক্ষাৰ্থে ১৯০৭ চনত মাতৃ দিৱস পালন কৰিছিল। তাৰ পিছত ১৯০৭ চনৰ ১২ মেত আন্না জাৰভিছৰ (Anna Jarvis) প্ৰচেষ্টাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰ্জিনিয়াৰ গ্ৰেফটনৰ স্বৰ্গীয় মাতৃ মেমোৰিয়েল গীৰ্জাত ৪০৭ জন সন্তানে সমবেত হৈ তেওঁলোকৰ মাতৃ সকলক বিভিন্ন সেৱা আগবঢ়াইছিল। তাৰোপৰি গোটেই আমেৰিকানবাসীক তেওঁ মাতৃ দিৱস উদযাপন কৰাৰ বাবে সচেতনতা বৃদ্ধি কৰিছিল। তাৰ ফলত, পাচঁ বছৰ ধৰি এই দেশৰ প্ৰতিখন ৰাজ্যই এই দিৱসটি পালন কৰি আহিছিল। আন্না জাৰভিছৰ অনুৰোধ মৰ্মে ১৯১৪ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি উড্ৰ উইৰছনৰ (Woodrow Wilson) উদ্যোগত মে মাহৰ দ্বিতীয় দেওবাৰে ( Second Sunday in May) বা আন্তৰ্জাতিক মাতৃ দিৱস (Mothers day international Association) স্থাপন কৰি দেশৰ জনগণক মাতৃ দিৱস (International Mothers DAY) উদযাপন কৰিবলৈ নিৰ্দেশ দিয়ে।

তেতিয়াৰে পৰাই বিশ্বৰ প্ৰায় চল্লিশখন দেশে মে মাহৰ দ্বিতীয় দেওবাৰে মাতৃ আৰু মাতৃত্ব, মাতৃ আৰু সন্তানৰ মধুৰ সম্পৰ্ক, মাতৃৰ অসীম অৱদান, সন্তানৰ প্ৰতি মাতৃৰ অকৃত্ৰিম নিস্বাৰ্থ প্ৰেম আৰু ভালপোৱা, অপৰিসীম কষ্ট, ত্যাগ-তিতিক্ষা আৰু সমাজ গঠনত মাতৃৰ সম্পূৰ্ণ বৰঙণিক শ্ৰদ্ধা জনাই আন্তৰ্জাতিক মাতৃ দিৱস (International Mothers day) উদযাপন কৰি আহিছে। আমাৰ দেশ ভাৰতবৰ্ষতো বিশ্বায়নৰ প্ৰভাৱত পৰি সাংস্কৃতিক আৰু ঐতিহ্য বহন কৰা পৰম্পৰা মতে প্ৰত্যেকজন ভাৰতীয় সন্তানে মাতৃক শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰি মাতৃ দিৱস উদযাপন কৰি আহিছে। তেনেকৈ গ্ৰেট ব্ৰিটেইনৰ শিশু সকলেও ফুল আৰু বিভিন্ন গ্ৰিটিংছ কাৰ্ডেৰে মাতৃৰ প্ৰতি প্ৰকৃত ভালপোৱাৰ চিন হিচাপে আগবঢ়ায়। জাপানতো সন্তানে মাতৃক ফুলৰ থোপাৰে উপহাৰ দি মাতৃৰ প্ৰতি কৃতজ্ঞতা আগবঢ়ায়। ইথিওপিয়াত সন্তান আৰু মাতৃ সকলে একগোট হৈ প্ৰীতি ভোজ-ভাত খাই আনন্দ-উৎসৱত মতলীয়া হৈ পৰে। মেক্সিকোত সংগীত পৰিৱেশন আৰু কবিতা আবৃত্তি কৰি সন্তানসকলে মাতৃক উদ্বুদ্ধ কৰি তোলে। নেপালত মাতৃ দিৱস উপলক্ষে এটি বিশেষ ধৰ্মীয় উৎসৱ “মাতা তীৰ্থ আউনছি (Mata tirtha Aunsi) উদযাপন কৰে।

এই বছৰো ২০২৪ চনৰ মে মাহৰ দ্বিতীয় দেওবাৰে অৰ্থাৎ ১২ মেত বিশ্বৰ প্ৰায় সকলো দেশতে বিভিন্ন কাৰ্যসূচীৰে আন্তৰ্জাতিক মাতৃ দিৱস ( International Mothers DAY) উদযাপন কৰাৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি লৈছে। “মাতৃ দিৱস”ৰ দিনা সকলো সন্তানে মাতৃৰ সান্নিধ্য লাভ কৰি মাতৃক শ্ৰদ্ধা-ভক্তি, সেৱা-যত্ন আগবঢ়াবলৈ সাজু হৈছে। মাতৃৰ স্নেহ-আলিঙ্গণ লাভ কৰি সন্তান সকলে পৰম তৃপ্তি লাভ কৰিব, মাতৃৰ স্বাস্থ্যৰ বুজ ল’ব, একেলগে পুৱাৰ পৰা সন্ধিয়ালৈকে লগেভাগে এসাজ খাদ্য খাব, নৃত্য-গীত, কবিতা আবৃত্তিৰে প্ৰতিটো মুহূৰ্ত জীপাল কৰি তুলিব। ৰেকৰ্ডিং, ভিডিঅ’ আৰু ফটোছেচনৰ মাজেৰে মাতৃ দিৱসৰ স্মৃতিক চিৰ যুগমীয়া কৰিবলৈ প্ৰত্যেকে চেষ্টা কৰিব, দূৰত থকা সন্তানে সামাজিক মাধ্যমৰ জৰিয়তে মাতৃলৈ শুভেচ্ছা পত্ৰ প্ৰেৰণ কৰিব। এই ধৰণে বিভিন্ন কাৰ্যসূচীৰে বিশ্বৰ সকলো দেশতে অতি জাকজমকতাৰে মাতৃ দিৱস পালন কৰি মাতৃৰ নিঃস্বাৰ্থ প্ৰেম, আত্মত্যাগ আৰু অক্লান্ত পৰিশ্ৰমৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ সাজু হৈছে।

নিঃসন্দেহে এজন মাতৃয়ে এটি সন্তান গৰ্ভত স্থিতি লাভ কৰাৰ পৰাই ন মাহ দহ দিন গৰ্ভ যন্ত্ৰণা সহ্য কৰাৰ পিছত সন্তানটি যেতিয়া ভূমিস্থ হয়, তেতিয়া মাতৃৰ চকু মুখত কি স্বৰ্গীয় আনন্দ ফুটি উঠে, তাক কোনো ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। তাৰ পিছত একেবাৰে দুখীয়া নিচলা মাতৃৰ পৰা আৰম্ভ কৰি সম্ভ্ৰান্ত ধনীঘৰৰ মাতৃয়ে সন্তানক লালন পালন কৰাৰ বাবে অসীম কষ্ট, ত্যাগ-তিতিক্ষা আত্ম-সংযমৰ পৰীক্ষাত অতি সফল ভাবে উত্তীৰ্ণ হয়। এই কাৰণে কোৱা হয়, মাতৃয়েই হৈছে সন্তানৰ আদি পাঠ শিক্ষাৰ প্ৰধান গুৰু। সন্তানক আদৰ্শবাদী মানুহ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত পিতৃতকৈ মাতৃৰ অৱদান বহুত বেছি। মাতৃয়েই হৈছে সন্তানৰ প্ৰিয় লগৰী, খেলৰ সঙ্গী, সুখ-দুখৰ অংশীদাৰ, প্ৰিয় বন্ধু, নীতি-আদৰ্শৰ মূল আৰ্হি, প্ৰকৃত পথৰ সন্ধান দিওঁতা, আন্ধাৰ পথৰ আলোক-বৰ্তিকা, কবি-গীতিকাৰ আৰু দাৰ্শনিক। মাতৃয়ে কেৱল এটি সন্তানক লালন পালন নকৰে, তেওঁ গোটেই পৰিয়ালৰ প্ৰতি গৰাকী ব্যক্তিক মৰম-স্নেহ আৰু শ্ৰদ্ধাৰে চৰ্তহীন ভাৱে অবৈতনিক ভাবে ২৪ ঘন্টা সেৱা আগবঢ়ায়। পূজা, উৎসৱ, সমাজ সেৱা, চিকিৎসা সেৱা, শিক্ষানুষ্ঠান, সমাজনীতি, ৰাজনীতি আৰু বিভিন্ন কলা-কৃষ্টি - সংস্কৃতি- সাহিত্যৰ ( নপৃষ্ঠাত চাওক)

# আই তোক কিহেৰে পুজিমে

কবিতা শৰ্মা

“মা” সৰু এটা শব্দ। কিন্তু কি বিশাল ইয়াৰ পৰিধি! সৰু এই শব্দটোৰ গভীৰতাত লুকাই থাকে গভীৰ স্নেহ, মমতা আৰু শৰ্তহীন ভালপোৱা। সৃষ্টিৰ সেই আদি লগ্নৰ পৰাই মধুৰ এই শব্দটো মাথোঁ মমতাৰে নহয়, ক্ষমতাৰো যেন সৰ্বোচ্চ আধাৰ। মাৰ অনুগ্ৰহ অবিহনে কোনো প্ৰাণীৰে প্ৰাণ ধাৰণ সম্ভৱ নহয়। আমাৰ গৰ্ভধাৰিণী, আমাৰ জন্মদাত্ৰী হিচাপে মোৰ, আপোনাৰ সকলোৰে জীৱনতেই মাৰ স্থান সকলোতকৈ ওপৰত। তেওঁক শ্ৰদ্ধা, ভালপোৱা জনোৱাৰ হয়তো এটা বিশেষ দিনৰ কোনো প্ৰয়োজন নহয়। তথাপিও আধুনিক পৃথিৱীত মে মাহৰ দ্বিতীয় ৰবিবাৰে “মাতৃ দিৱস” হিচাপে পালন কৰি অহা হৈছে। ১৯০৮ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ, পশ্চিম ভাৰ্জিনিয়াৰ আন্না জাৰবিছে প্ৰথম বাৰৰ বাবে উদযাপন কৰিছিল এই দিৱস। মাতৃৰ বিয়োগত মৰ্মাহত হোৱা প্ৰতিটো মুহূৰ্তত মাতৃৰ স্মৃতিয়ে খুন্দিয়াই থকা আন্নাক প্ৰয়োজন হৈছিল এই দিৱসৰ। সময়ৰ গতিত লাহে লাহে বিশ্ব জুৰি বিয়পি পৰা মাতৃ দিৱস এতিয়া সৰ্বজনবিদিত। যিকোনো দিৱস পালন কৰিব গ’লেই আমি প্ৰায়েই কিছুমান প্ৰশ্নৰ সন্মুখীন হব লগীয়া হয়। যেনেকৈ স্বাধীনতা দিৱসত- “আমি বাৰু সচাকৈয়ে স্বাধীন নে?”, ভেলেন্টাইন ডেত - “প্ৰতিটো দিনেই তো প্ৰেমৰ বাবে। এটা দিন লৈ ইমান হৈ- চৈ কিয়?” সচাকৈয়ে কথাবোৰ ইমান অশুদ্ধও নহয় কিন্তু। তথাপি এই কথাও আমি মনত ৰাখিব লাগিব যে একোটা বিশেষ দিনৰ তাৎপৰ্য মাত্ৰ সেই দিনটোতে বৈ নাথায়। যেনেকৈ আমি গোটেই বছৰ বাচি থকাৰ উৎসৱ পালন কৰোঁ, কিন্তু জন্ম দিন আমাৰ মাত্ৰ এটাই। এই কথা সকলো দিৱসৰ ক্ষেত্ৰতে প্ৰযোজ্য। যদিও আমি স্বেচ্ছাই বা অনিচ্ছাই সেই কথা পাহৰি থাকোঁ। এই পালনীয় দিনবোৰৰ কোনো গুৰুত্ব নাই জানো? পৰিৱেশ দিৱসৰ দিনা যদি আমি এটা হলেও গছপুলি ৰোওঁ, স্বাধীনতা দিৱসৰ দিনা অকালতে মৰহি যোৱা নিৰ্ভীক প্ৰাণবোৰৰ কথা এবাৰ হলেও মনত পেলাওঁ, বা ভেলেন্টাইন ডেৰ দিনা ধূলি - মাকতি জোকাৰি ৰবীন্দ্ৰ নাথৰ কবিতাপুথি হাতত তুলি লওঁ - এই সকলোবোৰ বৃথা নে ? এটা কথা মনত পেলাওকচোন, সৰুতে প্ৰতিটো কথাতে মা - মা কৈ চিঞৰা, ডাঙৰ হৈও কাৰণে অকাৰণে মাকেই চিঞৰা, স্কুল, কলেজ বা কামলৈ ওলাই যাওঁতে খোৱা-বোৰা ৰ পৰা আৰম্ভ কৰি সকলো লাগতিয়াল বস্তুৰ যোগান ধৰা মাজনীক “মা তোক ভাল পাওঁ” বুলি কেতিয়া কৈছিলে? সকলো অসহজতা বোধ আঁতৰাই এদিন মাক সাৱটি ধৰি বাৰু কলেই “মা তোক মই বৰ ভাল পাওঁ”... হয়তো এটা যাদুকৰী ক্ষণৰ সৃষ্টি হৈ যাব পাৰেহু দূৰৈত থাকিলে কমেও এটা ফোন কল, কাষত থাকিলে অলপ সঙ্গ, এদিন মালৈ এটা ফুলৰ থোপা, সাধাৰণকৈ হলেও তেওঁৰ পচন্দৰ কোনো উপহাৰ দিব পৰা নাযায় জানো? নহলে মাতৃ দিৱস অসন্মানৰ নহলেও, দুখৰতো হবই নিশ্চয়। গতিকে সকলো যুক্তি-তৰ্কৰ বাহিৰৈলৈ গৈ- হওকচোন বাৰুবছৰৰ এটা দিনেই, এই বিশেষ ( নপৃষ্ঠাত চাওক)



# প্ৰকৃততে আপুনি যদি সত্য তেন্তে ইয়াৰ প্ৰমাণ দিবলৈ নাযাব

সঁচা অৰ্থত কবলৈ গ'লে বৰ্তমান সময়ত সকলো বিষয়ৰে মানুহে সত্যতাৰ প্ৰমাণ বিচাৰিবলৈ আৰম্ভ কৰি দিয়ে। কাৰণ বৰ্তমান সময়ত আগৰ তুলনামূলকভাৱে ভুৱা বা মিছলিয়া মানুহবোৰৰ প্ৰাদুৰ্ভাৱ দিন প্ৰতিদিনে বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ ফলত মানুহৰ মাজত মানসিক শক্তি, আস্থা, বিশ্বাস, ভাতৃত্ববোধ, মৰম, চেনেহ, আত্মীয়তা আদি দিনক দিনে কমিবলৈ আৰম্ভ কৰিছে। এতিয়া ভাল মানুহ, ভাল বিষয়-বস্তু প্ৰতি মানুহৰ আগ্ৰহ কমি অহা পৰিলক্ষিত হৈছে। সেয়েহে আগতে আমি যিবোৰ বিষয়ক ভাল, সত্য বুলি বিবেচনা কৰিছিলোঁ বৰ্তমান সময়ত গৈ গৈ সেইবোৰ বিষয়-বস্তুয়ে মানুহক বেয়া লাগিবলৈ আৰম্ভ কৰিছে। আমাৰ এতিয়াৰ যান্ত্ৰিক জীৱন নিৰ্বাহ প্ৰনালীৰ ফলত বেছি ভাল মানুহ আৰু প্ৰকৃত অৰ্থত বাস্তৱ সত্য কথাবোৰ স্বীকাৰ কৰিবলৈ দুধুৰ-মুধুৰ মানসিকতাৰ সৃষ্টি হ'বলৈ ধৰিছে। কিন্তু ইয়াৰ বাবে একমাত্ৰ জগৰীয়া কোনো? যদি আমিয়েই মিলি এনেধৰণৰ পৰিস্থিতি উদ্ভাৱন কৰিছোঁ তেন্তে ইয়াৰ সমাধানৰ বাবে কোনে দায়িত্ব গ্ৰহণ কৰিব?

হ'ব পাৰে আমাৰ বৰ্তমানৰ পৰিবেশ, পৰিস্থিতি আগৰ তুলনাত বহু সালসলনি হৈ পৰিছে। তথাপিও এই সংসাৰৰ খনৰ যিকোনো ধৰণৰ প্ৰশ্নতে মাত্ৰ দুটা উওৰ উদ্ভাৱন হৈ থাকে। তাৰে এটা হ'ল ভুল আৰু আনটো হ'ল শুদ্ধ। অৰ্থাৎ অন্য ধৰনেৰ ইয়াক যদি উপস্থাপন কৰোঁ তেন্তে ইয়াক পোহৰ আৰু আন্ধাৰৰ জৰিয়তেও বুজি ল'ব পাৰি। এফালে যদি সত্য আছে তাৰ আনফালে আকৌ অসত্যয়ে বিৰাজমান কৰিছে। গতিকে সৃষ্টিৰ অন্তিম ক্ষণলৈকে এই একেটায়ে পক্ৰিয়াত গতি কৰিয়েই থাকিব। আৰু ইয়াক সালসলনি কৰিবলৈ আমাৰ হাতত একো



চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি

এটায়ে সামৰ্থ্য নাই বুলিয়েই উল্লেখ কৰিব লাগিব।

এতিয়া আহো এই আলোচনাৰ মূল বিষয়-বস্তুলৈ নহয় জানো? প্ৰকৃততে আপুনি যদি সত্য তেন্তে ইয়াৰ প্ৰমাণ দিবলৈ কেতিয়াওঁ নাযাব। কাৰণ সত্যৰ লগত প্ৰমাণ জড়িত কৰি ইয়াক আন্তৰিক দোষবোৰৰ কাৰক হিচাপে বিস্তাৰ কৰি নলব। আমি কেতিয়াবা নিজে সত্য বিষয়-বস্তুৰ লগত জড়িত থকা সত্বেও হয়তো জগতৰ বহু মানুহে ইয়াক গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। তেন্তে এনেধৰণৰ পৰিস্থিতিত সত্যতাৰ সৈতে থিয় দিয়া মানুহে হয়তো কেতিয়াবা বহু মানসিক অশান্তিৰ সন্মুখীন কৰিবলগীয়া হ'ব পাৰে। কিন্তু আপুনি যদি সত্যতাৰ সৈতে থিয় দিবলৈ আগবাঢ়ি আহিছে তেন্তে পৰাপক্ষত বৰ্তমান সময়ত বহু ধৈৰ্য সহকাৰে একেবাৰে মৌনতাৰ সৈতে সকলোবোৰ পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে নিজৰ ব্যক্তিগত সামৰ্থ্য সমূহ উদ্ভাৱন কৰি ল'ব লাগিব। ইয়াৰ ফলস্বৰূপে ইমানবোৰ গুণ বিকশিত কৰাৰ ফলত এসময়ত গৈ আপুনি নিজ চকুৰে পৰিলক্ষিত কৰিবলৈ সক্ষম হ'ব যে, প্ৰমাণ সহকাৰে প্ৰকৃত সত্যবোৰ নিজে নিজে প্ৰতিষ্ঠিত হৈ পৰিছে। গতিকে প্ৰকৃততে আপুনি যদি সত্য তেন্তে ইয়াৰ প্ৰমাণ দিবলৈ নাযাব। কাৰণ যেতিয়াই আপুনি সত্যতাৰ প্ৰমাণ দিবলৈ আগবাঢ়ি আহিব তেতিয়াই মানুহে আপোনাক মিছলিয়া বুলি উপলুঙা কৰিবলৈ আৰম্ভ কৰি দিব। সেয়েহে সদায় প্ৰকৃত সত্যক উপলব্ধি কৰিবলৈ হ'লে আমাৰ দুই দৃষ্টিৰ ওপৰতো আন্তৰিক দৃষ্টিশক্তিৰ বহু প্ৰয়োজন হয়।

যোৰাখণ্ডৰ পৰা...

# পৃথিৱীৰ হাওঁফাওঁ সুৰক্ষিত হৈ আছেনে?

সুনম বিশ্বাস, গোৰেশ্বৰ, তামুলপুৰ

লগতে মডেলৰ দৰে চাকচিক্য ফটো শুট কৰি নিউজৰ হেডলাইনৰ লগতে কাকতৰ মুখ্যপৃষ্ঠা দখল কৰে তাৰ পিছতেই গছৰ অৱস্থা হয় তথৈবচ।

সুন্দৰতাৰ বহুগুণাৰ নেতৃত্বত গঢ়ি উঠা 'চিপকো আন্দোলন'কে আদি কৰি প্ৰকৃত প্ৰকৃতিপ্ৰেমীসকলে প্ৰাণে-পণে নানান বিপ্লৱ কৰিও কিমানদূৰ সক্ষম হৈছে ? কেৱল বিপ্লৱৰ সোণোৱালী পৃষ্ঠা দখল কৰিলে! 'অমৃত বৃক্ষ' ৰোপন আচঁনি গ্ৰহণেৰে চৰকাৰৰে এক প্ৰশংক্ষনীয় পদক্ষেপ হাতত লৈছে যদিও সেইবোৰ সম্পূৰ্ণ কাৰ্যক্ষম হোৱা নাই। শিক্ষানুষ্ঠানৰ পৰা আদি আন বিভিন্ন অনুষ্ঠান, আত্মসহায়ক গোট আদিলৈ গছপুলি প্ৰদান কৰা হৈছে যদিও সেইবোৰো সঠিক আপডালৰ অভাৱত মাটিতে বিলীন হৈ যোৱাৰ উপক্ৰম।

তদুপৰি কিছু ক্ষেত্ৰত নিজৰ প্ৰয়োজন পূৰণাৰ্থে আমি ৰক্ষক হৈ পৰো ভক্ষক। আমাৰ সম্পদৰাজিৰ চোৰাং ব্যৱসায়ীতো আছেই। অবৈধতভাৱে দেশ-বিদেশত লাখ-লাখ টকাৰ বজাৰ চলে।

সৰুতে পঢ়া ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'গছ ভালপোৱা ককাৰ খং' কবিতাটি মনলৈ আহে, গছ জোপা কাটি ৰভাখন দিয়াৰ বাবে খুৰাৰ মনত যি ক্ষুব্ধতাৰ জোৱাৰ উঠিছিল সেয়া যদিহে আমাৰ প্ৰত্যেকজনৰে মনত থাকিলেহেঁতেন, আজি হয়তো দেশৰ উদ্ভিদজগতৰ এনেকুৱা হাল নহলহেঁতেন। আমাৰ মূৰৰ আকাশখনকেই আমি সংকটাপন্ন কৰি তুলিছো। যাৰ বাবে জলবায়ুৰ ইমান দ্ৰুত পৰিৱৰ্তন! আমি লোকচক্ষুত মহান হ'বলৈহে গছ ভালপোৱাৰ নাটকত সুন্দৰ অভিনয় কৰি যাও। বাকী ক্ষেত্ৰত আমি হত্যাকাৰীৰ স্বৰ্ণ মুকুট শিৰত ধাৰণ কৰিয়ে আছো।

আজি দেশত বিনাশে দেখা দিয়াৰ মূল কাৰণেই যেন গছ আধাৰিত। বৰ্তমান অহৈতুক ঋতু পৰিৱৰ্তনৰ বা বলিছে। শীত ঋতুতো শিলাবৃষ্টিয়ে চৌপাশ তচনচ কৰে, অনাকাংশিত বানৰ তাণ্ডৱে বুৰাই পেলাই জগত। অন্যহাতে বাৰিষাকালত কণ্ডাল খৰাঙে দেখা দিয়ে, মাটি ফাট মেলে, কৃষিভূমিৰ চৰম ক্ষতি হয়। হাবি-জংঘলবোৰ কাটি তহিলং কৰি উদ্যোগবোৰ গঢ়ি তুলিছে যাৰ ফলত জীৱ-জন্তু আৰু মানুহৰ মাজত সংঘাতৰ সৃষ্টি হৈছে। বন্যপ্ৰাণীৰ আক্ৰমণত মানুহ মৃত্যুমুখত পৰাও পৰিলক্ষিত হয়। বায়ুমণ্ডলত যি শুষ্কতা, আদ্ৰতাই ঘেৰি ধৰিছে, সেই ক্ষেত্ৰত CFC গেছৰ উপদ্ৰৱ অব্যক্ত। তদুপৰি উদ্ভিদে গোলকীয় উষ্ণতা হ্ৰাস কৰাৰ পৰা আদি কৰি গৰাখহনীয়াৰ পৰা ভূমি সংৰক্ষণ, বন্য প্ৰাণীৰ খাদ্যাদি- বাসভূমি, প্ৰদুষণ নিয়ন্ত্ৰণ তথা বাষ্পীভৱন প্ৰক্ৰিয়াৰে জীৱজগতত পানীৰ ভাৰসাম্যতা বজাই ৰখাত গুৰুদায়িত্ব পালন কৰে।

গতিকে, আমি ক'ব পাৰোঁ যে এনেকৈ অমানৱিকভাৱে গছ কটা চলি থাকিলে তথা গছ-গছনিক সুৰক্ষিত ৰখাৰ চেতনা জাগৰণ নহ'লে অদূৰ ভৱিষ্যতে আমাৰ দেশ মৰুভূমিলৈ পৰ্যবসিত হ'ব, সেয়া ধ্ৰুৱ। তেতিয়া 'ধৰিত্ৰী দিৱস'ৰ নামত যিমানেই দিন ধাৰ্য কৰা নহওক কিয় উদ্ভিদ অবিহনে সেয়া নিৰৰ্থক হৈ ৰ'ব। 'অৰুণ্য মানৱে' যিখন সেউজ পৃথিৱীৰ সপোন দেখিছে সেয়াও হৈ পৰিব ব্যৰ্থ; সেয়েহে আমি সকলোৱে প্ৰকৃতিৰ সুৰক্ষাৰ প্ৰতি সচেতনতা অৱলম্বন কৰা উচিত নহ'লে জীৱশ্ৰেষ্ঠ মানৱ হৈ পৰিব হাওঁফাওঁহীন যান্ত্ৰিক মানৱ।

# খং নামেই চণ্ডাল

প্ৰাণ প্ৰতিমা বড়া, গুৱাহাটী

পৃথিৱীৰ প্ৰায় সকলো মানুহৰে খং আছে। অসমীয়াত এষাৰ কথা আছে "খং নামেই চণ্ডাল"। সমাজৰ বেছিভাগ মানুহৰে বিভিন্ন সময়ত খঙৰ কবলত পৰি সমাজ বিৰোধীকাৰ্য্য, অপৰাধমূলক ঘটনাবোৰ আমি সদায়েই দেখিবা শুনি আহিছোঁ। খঙৰ কবলত পৰি মুহূৰ্ততে একোটি পৰিয়াল ধ্বংস হৈ যাব পাৰে। অত্যাধিক খঙাল মানুহে নিজৰ লগতে আনকো দুখী কৰি ৰাখে। বিভিন্ন কাৰণত মানুহৰ খং উঠিব পাৰে। আত্মকেন্দ্ৰিকতাৰ মাজত সহবাস কৰা মানুহবোৰ স্বাৰ্থপৰ আৰু খঙাল হোৱা দেখা যায়। কিছুমান স্বভাৱগতভাৱে খঙাল। তেওঁলোকে কেতিয়াও কোনো




কামতে সন্তুষ্ট নহয়। নিজৰ আপোন মানুহবোৰৰ মাজতে একো কামতেই তেওঁলোক সুখী নহয়। ধৈৰ্য্য নাইকিয়া হয়। তেওঁলোকে নিজৰ মতেৰে পৰিয়ালৰ লোকসকলক চলাব বিচাৰে। খোৱা-বোৱাৰ, পিন্ধা-উৰা সকলো কামতে তেওঁলোকে সন্তুষ্টি লাভ নকৰে। সৰু-সুৰা কথাতে অসন্তুষ্টি প্ৰকাশ কৰে। তেনে স্বভাৱৰ লোকৰপৰা পৰিয়ালৰ লগতে সমাজৰো বিৰূপ প্ৰতিক্ৰিয়া দেখা যায়। মহাভাৰতৰ দুৰ্যোধন এক উদাহৰণ। স্বাৰ্থপৰ, আত্মভিমানী, হিংসুক আৰু খঙাল স্বভাৱৰ বাবেই ধ্বংস মাতি আনিলে। (আঠপৃষ্ঠাত চাওক)

# খং নামেই চণ্ডাল

অত্যাধিক খং মানুহৰ এক প্ৰকাৰৰ মানসিক বিকাৰ। যিবিলাক মানুহ খং কমাব নোৱাৰে তেনে লোকৰপৰা নিমিষতে এখন ঘৰ ধ্বংস হৈ যাব পাৰে। খুব সুন্দৰকৈ চলি থকা ঘৰ এখনৰ পৰিয়ালৰ কোনোবা এজনৰ অত্যাধিক খংৰ বাবে হত্যা পৰ্যন্ত হোৱাৰ খবৰ আমি প্ৰায়ে দেখিবলৈ পাওঁ। চাৰিত্ৰিক দিশৰপৰা চাবলৈ গ'লে সাধাৰণতে খঙাল মানুহবোৰ অহংকাৰী, আত্মভিমানী, স্বাৰ্থপৰ হোৱা দেখা যায়। মানুহে খংৰ কবলত পৰি অসামাজিক, অনৈতিক কাৰ্য্যকলাপ কৰা দেখা যায়। সমাজত দিনকদিনে বাঢ়ি অহা হত্যা, আত্মহত্যা আদি কামবোৰে পৰিয়ালৰ লগতে সমাজৰো বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ পায়। গতিকে খং কমাবলৈ আমি বিভিন্ন ধৰণেৰে চেষ্টা কৰিব লাগে। মেডিটেচন, আধ্যাত্মিক জ্ঞানৰ প্ৰভাৱত মানুহে খং কমাব পাৰে। প্ৰথমতে আমি নিজক বুজিবলৈ যত্নপৰ হোৱা উচিত। অন্যহাতেদি মনোবিজ্ঞানীৰ ওচৰত গৈ পৰামৰ্শ লোৱা উচিত। খং কমোৱাৰ প্ৰথম কামতো হ'ল আমি নিজকে বুজিবলৈ চেষ্টা কৰিব লাগে। খং কমাবলৈ যত্নপৰ হব লাগে, লগতে নিজৰ মনটো শান্তিত ৰাখিবলৈ চেষ্টা কৰিব লাগে। মানুহে খংৰ বাবে যাতে আনৰ অপকাৰ কৰিব নোৱাৰেতাৰ বাবে সামাজিক প্ৰাণী হিচাপে আমি সকলো মানুহেই সজাগ আৰু সচেতন হ'ব লাগে।

# ফাটবিহুৰ ঐতিহ্য

**অঞ্জু শাণ্ডিল্য**

বিহুৱেই অসমৰ একমাত্ৰ জাতীয় উৎসৱ, য'ত উজনি- নামনি, পৰ্বত-ভৈয়াম, জাতি-উপজাতি, জাতি-জনগোষ্ঠী, ভাষা-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে লগ হৈ ৰং-আনন্দ-সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খাব পাৰে। অসমত বসবাস কৰা বড়ো, কছাৰী, সোনোৱাল, ৰাভা, লালুং, মিচিং, দেউৰী, তুৰুং, আহোম, চুতীয়া, কোচ, ৰাজবংশী আদি জনগোষ্ঠীয়ে স্বকীয় ৰীতি-নীতিৰে বিহু উৎসৱৰ পৰম্পৰা পালন কৰে। চাহ জনগোষ্ঠীয়েও বিহুক নিজৰ উৎসৱ বুলি মানি লৈছে- 'আছাম দেশেৰ বৈশাখ বিহু/কৰম পূজাৰ সমান ৰে/সৃষ্টিৰ কথা আছে গাথা/দুনুতে সমান ৰে।' চাহ জনগোষ্ঠী অসমৰ জাতি গঠন প্ৰক্ৰিয়াত এক অবিচ্ছেদ্য অংগ হৈ পৰাত সেইসকলেও বিহুক আদৰেৰে, হেঁপাহেৰে চাহ জনগোষ্ঠীৰ মাজত প্ৰচলিত গীত-মাতত সুমুৱাই লৈ সংস্কৃতিৰ, সংগীতৰ বহল পথাৰখনত ৰোপণ কৰিছে- 'হেৰ চুকৰ সিঙৰে/বৈশাখ মহিনা আইল ৰে/ সুন্দৰ দিন গ'/আনন্দে দিন কাটাব ৰে/বৈশাখ বিহু আই গেল ৰে।' বিহুসুৱাঁয়া গীতেৰে প্ৰণৱিৰাম বৰুৱাই অসমবাসীক একত্ৰিত কৰিবলৈ শপত লৈছে- 'নানা জাতি আৰু উপজাতি/এইখন মৰমী আই অসমী/মনৰ যত ভেদাভেদ পাহৰি/সোণৰ অসমখন গঢ়িম আমি/বিহুৱা ৰাইজ অ' দেশৰে ৰাইজ/ বিহুতলীত আজি শপতে লৈ।'

ব'হাগ মহীয়া ঢকুৱাখনাৰ ফাটবিহুৱেও সম্প্ৰীতিৰ মেলা পাতে। লক্ষীমপুৰ জিলাৰ চাৰিকড়ীয়া নৈৰ পাৰৰ ঢকুৱাখনা ম'হঘুলি চাপৰিৰ ফাটবিহু অসমৰ লোক-সংস্কৃতিৰ বৰঘৰ। এক প্ৰচলিত বচন মতে, 'অতিকৈ আঠালতীয়া ঢকুৱাখনাৰ বৰাধন', 'তাতোকৈ আঠালতীয়া ঢকুৱাখনীয়া মৰম'। 'ঢকুৱাখনীয়া মৰম' হ'ল ঢকুৱাখনাৰ ফাটবিহুৰ থলী ঐতিহ্যমণ্ডিত ম'হঘুলি চাপৰিত ১০ মে'ৰ পৰা অনুষ্ঠিত হোৱা ফাটবিহুত অসমৰ প্ৰায় সকলো জনগোষ্ঠীয়ে অংশগ্ৰহণ কৰিছে। এই ফাটবিহু যোল্ল শতিকাৰ পৰা পালন কৰি অহাৰ তথ্য পোৱা যায়। আহোম স্বৰ্গদেউসকলৰ দিনৰে পৰা চলি অহা ফাটবিহুৱে আজি অসমৰ সকলো জনগোষ্ঠীকে সামৰি লৈছে। সকলোকে একত্ৰিত কৰি সম্প্ৰীতিৰ সেতু বান্ধিছে।




'আগতে চাৰিকড়ীয়া নৈৰ পাৰৰ ফাট আৰু এতিয়া ম'হঘুলি চাপৰিৰ হাবিয়নিৰ দাঁতিত, গছৰ তলে তলে, নৈৰ পাৰে পাৰে আহোম, মিচিং, দেউৰী, কৈৱৰ্ত, সোনোৱাল, কছাৰী, কোচ, কলিতা, মুছলমান আদি বিভিন্ন জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকে তিনি দিনৰ বাবে গোট খাই ফাট বিহুতলী ৰজনজনাই তোলে। বিহুতলীত জাতি-জনজাতিৰ মহামিলনেৰে এক মিলনৰ সেতু বান্ধে।' (এম চাইফুল এইচ)।

অসমৰ সাংস্কৃতিক ঐতিহ্যই, ইতিহাসে গৰকা ঠাইবোৰৰ ভিতৰত ঢকুৱাখনাও এখন ঠাই। ঢকুৱাখনাৰ পুৰণি নাম হাবুং। পূৰ্বতে ইয়াত বিভিন্ন জনগোষ্ঠীয়ে বসবাস কৰি আহিছে। আহোম ৰাজত্বকালত পাহাৰীয়া জনগোষ্ঠীসকলেও ঢকুৱাখনাৰ আশে-পাশে এক মধুৰ সম্পৰ্কৰে বসবাস কৰিছিল। সেয়া আজিও বৰ্তি আছে। চাৰিকড়ীয়া নৈখন ঢকুৱাখনাৰ কাষেৰে বৈ গৈছে। অতীতত এই নৈ পাৰ হ'বলৈ নাৱৰীয়াক চাৰিটা কড়ি দিবলগা হৈছিল। সেয়েহে নৈখনৰ নাম চাৰিকড়ীয়া নৈ। ঢকুৱাখনাত আৰু এখন নৈ আছে- একড়ীয়া নৈ, এইখন পাৰ হ'বলৈ এটা কড়ি দিব লাগিছিল বাবেই একড়ীয়া নৈ নাম হ'ল। একড়ীয়া নৈক চাৰিকড়ীয়া নৈলৈ বোৱাই নিবলৈ নাৰিকল-তামোলৰ ঢকুৱাৰে খন্দা হৈছিল বাবেই ঠাইখনৰ নাম ঢকুৱাখনা হ'ল। 'ফাট' শব্দটো টাই (তাই) ভাষাৰ শব্দ। আহোম ৰাজত্বকালত ৰজাঘৰীয়া কৰ-কাটল, ৰাজহ সংগ্ৰহ কৰা ঠাইক ফাট বুলিছিল। ঢকুৱাখনাত তেতিয়াৰ কৰ, ৰাজহ সংগ্ৰহ কৰা ঠাই আছিল। আহোম ৰাজবিষয়াই ইয়াত ফাট বহুৱাইছিল। ফাটবোৰ সাধাৰণতে নৈৰ দাঁতিত বহুৱায়। ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ দাঁতিত, ম'হঘুলি চাপৰিত ফাট বহিছিল। উজনিত সেই সময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত একমাত্ৰ ঢকুৱাখনাতেই ফাট বহিছিল আৰু অধিক জনসমাবেশ ঘটিছিল। এই ফাটত ব'হাগৰ সাত দিন যোৱাৰ পাচত বিহু পতা হৈছিল। ফাটত হোৱা বাবেই 'ফাটবিহু' নাম হ'ল।

আগলৈ...

# মোৰ আই

**এছ ইছলাম, শিক্ষক**



মোৰ আই কাৰো লগত
তুলনা কৰা নাযায়,
মোৰ আই সহজ সৰল
জটিলতা ভাৱ নাই।
মোৰ আই গোৰা ধৰ্মীয়া
ঈশ্বৰ ভক্ত হয়,
মোৰ আই পতি সেৱী
পৰম ধাৰ্মিক ভাই।
মোৰ আই পুত্ৰ বাৎসল্য
মৰম-চেনেহী হয়,
মোৰ আই মাতৃ সুলভ
কথাবিলাক কয় ।
মোৰ আই আমাক খুৱাই
থাকে নোখোৱাকৈ,
মোৰ আই খেতি পথাৰলৈ
যায় ধান ৰুবলৈ।
মোৰ আই মাছ ধৰিবলৈ
জাকৈ খালৈ লয়,
মোৰ আই মোৰ দেউতা
গাৱলীয়া চহা হয়।
যাৰ মাজত অকণ মানো
হিংসা-দ্বেষ নাই,
মোৰ ককাই মোৰ ভাই
সকলো আপোন।
মোৰ আই মোৰ পিতাই
সবাৰে এক মন,
মোৰ আই মোৰ দেশ
সবাতোকে আপোন।

অণুগল্পঃ

# অনুশোচনা

**শৈলেন কুমাৰ, মিৰ্জা**

আমুকাৰ বিয়া হোৱাৰ দিনধৰি ছাঁটো দেখিবলৈ দুৰ্লভ হৈছে বুজিছানে, এতিয়া কিজানি সি ঘৈণীয়েকৰ আলপাচন ধৰাত ব্যস্ত। বন্ধুবৰ্গৰ লগত আড্ডা দিয়া, ঘুৰাফুৰা সি সকলো ত্যাগ কৰিলে। এৰা! আনক সুখী কৰাৰ পৰিৱৰ্তে সি নিজে সুখী হবলৈ শিকিছে, আনক সন্তুষ্ট কৰাৰ পৰিৱৰ্তে সি নিজে সন্তুষ্ট হবলৈ শিকিছে। স্বাৰ্থলোভী



বন্ধুত্বৰ চলেৰে বিষ ধালিব বিছৰা সেই বিষাক্ত শিকলি ডালৰ বান্ধোন খুলি সি স্বাধীন হবলৈ শিকিছে।

# মাতৃ দিৱসত মোৰ অনুভৱ

আকৌ যিসকলে মাতৃক হেৰুৱাইছে সেইসকলে মাতৃ দিৱসৰ দিনটোত মাতৃৰ অবদান, ত্যাগ শ্ৰদ্ধাৰে স্মৰণ কৰিবলৈ সুবিধা পাব। কোনো কোনো সন্তানে মাতৃ দিৱসত মাকক উপহাৰ দিয়ে। আকৌ যাৰ মাতৃ মৃত্যু হৈছে তেখেতসকলে মাতৃৰ নামত বেলেগ তেনেকুৱা মাতৃক সম্বৰ্ধনা জনায়। মুঠতে মাতৃ দিৱসৰ দিনা যি কোনো উপায়েৰে আমাৰ জন্মদাত্ৰী মাতৃক বৰ আদৰ সন্মানেৰে স্মৰণ কৰা হয়।

বহুতে মাতৃ দিৱস পালন কৰিবলৈ ইচ্ছুক নহয়। যিহেতু "মা" শব্দটো আমাৰ প্ৰতিজনৰ হৃদয়ত এনেকৈ লিপিত খাই থাকে সেইটো এদিনৰ বাবে যেন সাৰি -মুচি চাফা কৰিবলৈ উলিয়াই অনাৰ দৰে হয়। যেন বাকচত থকা এটা বস্তুহে। মা এটা সত্ৱা। যাক কোনো দিন আতৰ কৰিব নোৱাৰি। সকলো সময়তে আলফুলে আমি লৈ ফুৰোঁ। আমাৰ প্ৰাণ। আমাৰ ধমনী। যাৰ ত্যাগত, চেষ্টা আমি এই পৃথিৱীলৈ আহিলো। ডাঙৰ দীঘল হৈ চলাফুৰা কৰিছো। 'মা' মোৰ বাবে উশাহ । মোৰ বাবে দৃষ্টি শক্তি। পলে পলে বুকুত সামৰি থওঁ।

যাই কি নহওক, এইবছৰো ২০২৪ চনৰ মে মাহৰ দ্বিতীয়টো দেওবাৰ ১২ তাৰিখে আন্তৰাষ্ট্ৰীয় "মাতৃ দিৱস" পালন কৰা হ'ব। ব্যৱসায়ীক ভিত্তিত নহয়, সকলোৰে সন্মানেৰে আমি আমাৰ মাতৃসকল সন্মান কৰোঁ আহক। তেখেতসকলেনো কি বিচাৰে আমাৰ পৰা, তেখতসকলৰ প্ৰয়োজনীয়তাবোৰ, অভাৱবোৰ, কষ্টবোৰ এবাৰ সুধি চাওঁ। তেখেতসকলৰ সৈতে একাত্ম হওঁ। বিশ্বৰ প্ৰতিগৰাকী মাতৃলৈ শ্ৰদ্ধা জনালো এই লেখাৰ যোগেদি আৰু মোৰ স্বৰ্গগত মাতৃলৈকো প্ৰণাম জনালো।

"ধুমুহা বৰষুণ নেওচি
মমৰ দৰে পোহৰ বিলাই বিলাই
নিজক শেষ কৰা সত্বাটোৰেই মোৰ আই
তেওঁৰ সমান শুবনি আৰু কোনোৰেই নাই।"

# আই তোক কিহেৰে পুজিমে

দিনটোত আমি প্ৰত্যেকেই আমাৰ জন্মদাত্ৰী মাক এবাৰ মনত পেলাওঁ, অলপ শ্ৰদ্ধা অলপ মৰম বা স্মৰণ কৰোঁ...

মা বুলি ক'লেই কিমান যে চিনাকি দৃশ্য চকুৰ আগত অগা ভেৰা কৰে ... হাজাৰ-বিজাৰ চিনাকি দৃশ্য... ৰাতিপুৱা স্কুললৈ ওলাই "মা, দেৰি হৈছে ভাত দে" আকৌ স্কুলৰ পৰা উভতি আহি কিতাপৰ বেগ থৈয়ে চিঞৰ "মা, ভোক লাগিছে, ভাত দে"। ভাত খাই উঠি লগৰীয়াৰ লগত খেলিবলৈ ওলাই যোৱাৰ আগতে একো বিচাৰি নাপালে মাৰ আচলতে মুখ - হাত মচি বাহিৰলৈ দৌৰ মৰা। আমাৰ সামান্য অসুখত মাৰ চিন্তিত মুখখন, আমাৰ পচন্দৰ বস্তু ৰান্ধি খুৱাই উজলি উঠা মুখখন... এনে লাগে যেন মা মানেই ত্যাগৰ প্ৰতীক। বিয়া হোৱাৰ দিন ধৰি কেবল ত্যাগেই কৰিলে। এদিন যে নিজৰ জন্ম হোৱা ঘৰখন ত্যাগ কৰি ওলাই আহিছিল, তাৰ পাছৰে পৰা কেবল ত্যাগ আৰু ত্যাগ। স্বামীৰ বাবে, সন্তানৰ বাবে, ঘৰখনৰ বাবে। নিজৰ নাম, নিজৰ উপাধি সকলো। চৰকাৰী কাম কাজৰ বাহিৰে আন সকলোতে হেৰাই থাকিল মাৰ নামটো। বিয়াৰ পাছত অমুকৰ পত্নী, সন্তান ডাঙৰ হোৱাৰ পাছত অমুকৰ মাক... সেয়াই হৈ পৰিল মাৰ পৰিচয়... পৰিয়ালৰ সকলোৰে বাবে চিন্তা কৰোতে, কৰোতে নিজৰ ভাললগা, পচন্দ-অপচন্দ, ৰুচি-অভিৰুচি বোৰ ক'ত যেন হেৰাই থাকিল... ইমান বোৰ হেৰুৱাইও স্বীকৃতি পালে নে নাই সেই কথাও কোনোদিনে নাভাবিলে। স্বীকৃতিও ত্যাগ কৰিলে। গোটেই জীৱন মায়ে আমাক কেৱল দিলেহে। বিনিময়ত আমাৰ পৰা বিচাৰিলেই বা কি? নিবিচাৰে কাৰ্ড, নিবিচাৰে ফুলৰ থোপা, নিবিচাৰে আন একো উপহাৰ। কোনো দাবী নাই। মাতৃ দিৱসৰ কথাও নাজানে। আচলতে মাতৃ সকলৰ বেলেগে কোনো উপহাৰৰ প্ৰয়োজন নহয়। সন্তানৰ মুখৰ পৰা মাত্ৰ এষাৰ মৰমৰ "মা" শব্দটোৰেই তেওঁলোকৰ জীৱনৰ আটাইতকৈ মূল্যবান উপহাৰ। সন্তানৰ অলপমান সঙ্গ সুখতে তেওঁলোকৰ জীৱন হৈ পৰে সম্পূৰ্ণ আৰু সাৰ্থক... ৰুডিয়াৰ্ড কিপলিঙে কৈছিল -" God could not be everywhere and therfore He made mothers." মাকক বৰ্ণনা কৰিবলৈ ইয়াতকৈ আৰু সুন্দৰ বাক্য কি হব পাৰে? হয়তো আমাৰ জীৱনত এনে এটা দিন নাযায় যিদিনা মুখতেই হওক বা মনতেই হওক আমি এবাৰৰ বাবে হলেও মা শব্দটো উচ্চাৰণ নকৰোঁ। সুখ - দুখ, হাঁহি-কান্দোন, বেমাৰ-আজাৰ, বিপদ-আপদ সকলো সময়তে অজানিত ভাবে হলেও আমি মাক বিচাৰোঁ। অন্তৰত আঘাত পালে, শোক পালে, কৰবাত দুখ পালে, উজুতি খালে, হঠাতে ভয় খালে, গা বেয়া লাগিলে, সকলো সময়তে আমাৰ মুখৰ পৰা মাত্ৰ এটা শব্দই উচ্চাৰিত হয়- অ' মা... কষ্টেৰে সন্তান জন্ম দি লালন পালন কৰি শাৰীৰিক, মানসিক, শৈক্ষিক আৰু আধ্যাত্মিক দিশত গঢ়ি তুলি সমাজ তথা দেশৰ দায়িত্বশীল নাগৰিক হৈ উঠাত মাতৃৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। মহৎ লোকসকলৰ মূলতেই পিতৃ-মাতৃৰ ভূমিকা আৰু আদৰ্শ। কলকলাই থকা শিশুৰ প্ৰথম মাত 'মা'। একেই ধৰণৰ উচ্চাৰণেৰে ইংৰাজীত মম আৰু মামী, আৰবী, জাৰ্মানী, ডাছ, স্পেইনিজ ৰাছিয়ান, গ্ৰীক ভাষাত মামা, ফৰাচীত মামান আদি পৃথিৱীৰ ভিন ভিন ভাষাত মাতৃক সম্বোধন কৰা মা উচ্চাৰণৰ মিল আছে। গতিকে মা বিশ্বজনীন আৰু সৰ্বজনীন।

পৃথিৱীৰ বহুতো বিখ্যাত আৰু শ্ৰেষ্ঠ ব্যক্তিয়ে তেওঁলোকৰ জীৱনত মাতৃৰ অৱদানৰ কথা স্বীকাৰ কৰি থৈ গৈছে। আব্ৰাহাম লিংকনে কৈছিল - "All that I am, or hope to be, I owe to my angel mother" তেনেদৰে জৰ্জ ৱাশিংটনে কৈছিল - "My mother was the most beautiful woman I ever saw. All I am, I owe to my mother. I attribute all my success in life to the moral, intellectual and physical education I recieved from her ." লিঅ'নাৰ্ডো ডি কাপ্ৰিঅ'ই কৈছিল - "My mother is a walking miracle"।

আগলৈ...

# আন্তৰ্জাতিক মাতৃ দিৱস

অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে সন্তান তথা ঘৰৰ সকলোকে সম্পূৰ্ণ প্ৰস্তুতি লোৱাৰ বাবে এগৰাকী মাতৃয়ে হাঁহি মুখে পূৰ্ণ সহযোগিতা আগবঢ়ায়। এনেকি যুদ্ধক্ষেত্ৰত যোৱাৰ সময়তো সন্তানক সজাই পৰাই দিয়ে। মুঠতে মাতৃয়ে সন্তানক মানুহ হিচাপে গঢ় দিয়াৰ জৰিয়তে পৰিয়ালক স্বয়ং সম্পূৰ্ণ কৰি তোলে আৰু তাৰ যোগেদি এখন সমাজক প্ৰগতি সাধন কৰি এখন দেশৰ উত্তৰোত্তৰ সমৃদ্ধি সাধন কৰে। সেয়ে কোৱা হয় যে, পৃথিৱীৰ সকলো ধৰণৰ ঋণ শোধ কৰিব পাৰি, কিন্তু মাতৃঋণ কেতিয়াও পৰিশোধ কৰিব নোৱাৰি। কাৰণ, মাকৰ সমান হ'ব কোন? নৈৰ সমান বব কোন?

গতিকে, সমাজৰ চিন্তাশীল ব্যক্তি সকলে কব বিচাৰে যে, প্ৰতি বছৰে এদিন 'মাতৃ দিৱস' উদযাপন কৰিলেই মাতৃৰ প্ৰতি দায়িত্ব পালন কৰা নুবুজায়। শৰীৰৰ সমস্ত তেজ ঢালি দি সন্তানক লালন পালন কৰা মাতৃৰ বাবে সন্তানৰ কৰিবলগীয়া বহুত দায়িত্ব আছে। অনাহকত কোনো সন্তানে মাতৃৰ মনত দুখ কষ্ট দিয়া অনুচিত। আঁঠুৰাৰ তলৰ ফুচফুচনি শুনি নিজৰ জন্মদাত্ৰী মাতৃক অৱহেলা, লাঞ্চনা গঞ্জনা দিলে মহা পাপে চুব। স্বয়ং ঈশ্বৰেও এনে মহাপাপী সন্তানক কেতিয়াও ক্ষমা নকৰে। বৰ্তমান আধুনিক যুগৰ ধামখুমিয়াত পৰি বহুতো উচ্চ শিক্ষিত, ধনী ব্যক্তিয়ো মাকক পথৰ ভিক্ষাৰী বা বৃদ্ধাশ্ৰমত আশ্ৰয় লবলৈ বাধ্য কৰায়। পৃথিৱীৰ সকলো শ্ৰেষ্ঠ ধৰ্মীয় নিয়মানুযায়ী মাতৃক শ্ৰদ্ধা-ভক্তি কৰিবলৈ সন্তানক নিৰ্দেশ দিছে যদিও অসহায় মাতৃৰ বাবে আৰ্থিক নিৰাপত্তাৰ বাবে শাস্ত্ৰ বা হদীসত স্পষ্ট ভাবে কোনো উল্লেখ নাই। সংসাৰৰ উন্নতিৰ বাবে জীৱন-মৃত্যু পণ কৰি পৰিশ্ৰম কৰা এগৰাকী মাতৃয়ে স্বামীৰ স্থাৱৰ বা অস্থাৱৰ সম্পত্তিৰ ওপৰত বৰ বেছি অংশীদাৰত্ব লাভ কৰিব নোৱাৰে। বা অংশীদাৰত্ব প্ৰায় শূন্যৰ ঘৰত। স্বামীৰ মৃত্যুৰ সময়ত এগৰাকী মাতৃৰ যদি কোনো সন্তান নেথাকে, তেনেহলে স্বামীৰ ঘৰত থকাৰ তেওঁৰ কোনো অধিকাৰ নেথাকে। চৰকাৰী নীতি -নিৰ্দেশনা অনুযায়ীয়ো চাকৰিজীৱী স্বামীৰ মৃত্যুৰ পিছত তেওঁ যৎ সামান্য পেন্সন লাভ কৰে। ব্যৱসায়-বাণিজ্য ঠিকা ঠুকলি আদি কাৰ্য্যৰ জৰিয়তে উপাৰ্জন কৰা স্বামী বৰ্তমান থাকোঁতে বা মৰাৰ পিছতো কোনো উত্তৰাধিকাৰী হিচাপে উপাৰ্জনৰ আয় লাভ কৰাৰ পৰা বঞ্চিত হয়। মুঠতে, পুৰুষ-প্ৰধান এই সমাজ ব্যৱস্থাত নাৰী-ৰূপী মাতৃয়ে সমাজৰ প্ৰতি আগবঢ়োৱা অৱদান বা ত্যাগৰ বিনিময়ত একো মূল্য নেপায় । গতিকে প্ৰতি বছৰে কেৱল মাতৃ দিৱস উদযাপন কৰিলেই নহ'ব, মাতৃসকলক পূৰ্ণ মৰ্যাদাৰে সমাজত জীয়াই থকাৰ সকলো সা-সুবিধা প্ৰদান কৰাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত সমাজৰ সুশিক্ষিত, ৰুচিশীল, দায়িত্বশীল সন্তান সকলে আগবাঢ়ি আহি সমাজত মাতৃ সকলৰ সম্পূৰ্ণ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক নিৰাপত্তা দান কৰাৰ বাবে অগ্ৰগামী ভূমিকা পালন কৰিব বুলি আশা কৰিলোঁ।

# উচুপনি

**অলকা বুজৰ বৰুৱা, টিহু টাউন, নলবাৰী**



সৰাপাতৰ বুকুত লিখা ৰ'ল
দুখৰ ৰাতিৰ উচুপনি
কলিজাৰ কোঁহে কোঁহে বিয়পিল
শূণ্যতাৰ চেঁচা শিহৰণ।
বিষাদৰ বোজা ভাগৰুৱা কলিজা
সপোনৰ সমাধিত বহি
গুঠি আছো স্মৃতিৰ এধাৰি মালা।
শেৱালি ফুলা ৰাতি ফেঁচা কুৰুলি
শেতেলিত দুখৰ এঙামুৰি
ওৰণি দাঙি এবাৰ চোৱা তুমি
দেখা পাবা মোৰ দুচকুত
চলনাৰ নিলিখা বুৰঞ্জীৰ চানেকি।

# ছোৱাইন ফ্লু'ত আক্ৰান্ত হৈ শিশুৰ মৃত্যু

যে বিগত ৫ মে'ত মৃত্যু ঘটা ১৩ মহীয়া কন্যা শিশুটিৰ যোৱা ২৯ এপ্ৰিলত জ্বৰ আৰু কাহৰ উপসৰ্গ দেখা দিয়াৰ পৰিপ্ৰেক্ষিতত পৰিয়ালে হাইলাকান্দিৰ এছ কে বয় অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। কিন্তু স্বাস্থ্যৰ উন্নতি নঘটা শিশুটিক ৩০ এপ্ৰিলৰ নিশা শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত পৰিয়ালে ভৰ্তি কৰায়। লগে লগে চিকিৎসকে অসুস্থ শিশুটিৰ দেহৰ নমুনা আৰটিপিচিআৰ পৰীক্ষাৰ বাবে সংগ্ৰহ কৰে। ৪ মে'ৰ দিনাখন শিশুটি ছোৱাইন ফ্লুত আক্ৰান্ত হোৱাটো নিশ্চিত হয়। কিন্তু চিকিৎসকৰ পৰামৰ্শ অগ্ৰাহ্য কৰি পৰিয়ালে শিশুটিক যোৱা ৫ মে'ত বলপূৰ্বকভাৱে ঘৰলৈ নিয়াত পথতে শিশুটিৰ মৃত্যু হয়। হাস্পতালৰ অধ্যক্ষ ডাঃ ভাস্কৰ গুপ্তাই সদৰী কৰা মতে উক্ত শিশুটি হাস্পতালৰ আইচিইউত আছিল। শ্বাস-প্ৰশ্বাসৰ সমস্যাৰ বাবে চিকিৎসকে শিশুটিক ভেন্টিলেটৰত ৰাখিবলৈ চেষ্টা কৰিছিল যদিও পৰিয়ালৰ লোকে মান্তি নোহোৱাৰ বাবে দুৰ্ভাগ্যজনকভাৱে শিশুটিয়ে মৃত্যুক আঁকোৱালি ল'বলগীয়া হয়। বিগত ৪৮ ঘণ্টাৰ ভিতৰত দুটাকৈ কণমানি দেবশিশুৱে ছোৱাইন ফ্লু'ত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিবলগীয়া হোৱাৰ পিছতে সমগ্ৰ বৰাক উপত্যকাৰ লগতে ৰাজ্যজুৰি আতংকৰ সৃষ্টি হৈছে।

# যোৰহাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে

সোমবাৰে যোৰহাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে অধিবক্তা পাৰ্থজ্যোতি গগৈক। আদালতৰ নথিপত্ৰ জাল কৰি তথা আদালতৰ বিষয়াৰ চহী জাল কৰি ভুৱা গোচৰৰে এটা পৰিয়ালক প্ৰৱঞ্চনা কৰিছিল অধিবক্তা পাৰ্থজ্যোতি গগৈয়ে। ২০১৯ চনত পথ দুৰ্ঘটনাত মৃত্যু হোৱা মৰিয়নীৰ তিলেশ্বৰ ফুকনৰ পৰিয়ালৰ হৈ MACT গোচৰ ৰুজু কৰা বুলি প্ৰৱঞ্চনা কৰিছিল পৰিয়ালটোক। দৰাচলতে আদালতত গোচৰ ৰুজু নকৰাকৈয়ে গোচৰ চলাই যোৱাৰ নাটক কৰি পৰিয়ালটোক গোচৰৰ নামত ভুৱা নথিপত্ৰ প্ৰদান কৰি গৈছিল অধিবক্তাগৰাকীয়ে। আদালতত গোচৰ তৰাৰ নাটক কৰি ভুৱা নথি-পত্ৰৰে ভুক্তভোগী পৰিয়ালটোৰ উপমা ফুকনক ৬ লাখ ৪ হাজাৰ টকাৰ ভুৱা চেকো প্ৰদান কৰিছিল অধিবক্তা পাৰ্থজ্যোতি গগৈয়ে। ইয়াৰ পিছতে অধিবক্তাগৰাকীৰ কু-কৰ্ম ফাদিল হয়। সম্প্ৰতি দুৰ্ভগীয়া পৰিয়ালটোৱে অধিবক্তাগৰাকীৰ বিৰুদ্ধে যোৰহাট সদৰ থানাত এক গোচৰ ৰজু কৰে। ফলত উক্ত গোচৰ ভিত্তিত অধিবক্তাগৰাকীক যোৰহাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোমবাৰে আদালত হাজিৰ কৰায়।

# বিহাৰৰ বেগুচৰাইত নিৰ্বাচনী প্ৰচাৰ

ছোৱালীক প্ৰৰোচিত কৰি বিয়া পতাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব লাগিব। আমি এই লাভ জেহাদ বন্ধ কৰিম। সেইদৰে আমাৰ দেশৰ সংবিধান প্ৰণেতা বাবা চাহেব আম্বেদকাৰে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অ'বিচিৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছে। এই সংৰক্ষণ ধৰ্মৰ আধাৰত নহয়। কিন্তু পশ্চিমবংগ, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আদিকে ধৰি বিৰোধীৰ দখলত থকা বহু ৰাজ্যত অ'বিচিৰ বাবে সংৰক্ষিত আসনৰ চাৰিৰ পৰা ছয় শতাংশ আসন মুছলমানৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছে। আৰজেডিৰ নেতা লালুপ্ৰসাদ যাদবেও অ'বিচিৰ সংৰক্ষিত আসনত মুছলমানৰ বাবেও সংৰক্ষণৰ পোষকতা কৰিছে। লালুপ্ৰসাদ যাদবে স্পষ্টভাৱে কৈছে- মুছলমানৰ বাবেও সংৰক্ষণ কৰিব লাগে। কিন্তু এই সংৰক্ষণ ভাৰতত নহ'ব। পাকিস্তানত হ'ব পাৰে। ভাৰতত মুছলমানৰ বাবে কোনো সংৰক্ষণ হ'ব নোৱাৰে। বৰং যি সংৰক্ষণ পাই আছে সেয়াও বন্ধ কৰাটোহে আমাৰ কাম। কাৰণ অ'বিচি, অনুসূচিত জাতি, অনুসূচিত জনজাতিৰ অধিকাৰ কোনেও কাঢ়িব নোৱাৰে। ৰাহুল গান্ধী, লালুপ্ৰসাদ যাদবে আমাৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অ'বিচিৰ অধিকাৰ যাতে কাঢ়িব নোৱাৰে, তাৰ বাবে নৰেন্দ্ৰ মোদীক এইবাৰ লোকসভা নিৰ্বাচনত ৪০০ আসনত জয়ী কৰাব লাগে। ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰতীয়ই পাকিস্তানক ভয় নকৰে। আমাৰ দেশে এতিয়া আমেৰিকা-চীনৰ লগত প্ৰতিযোগিতা কৰি আছে ভাৰতক বিশ্বগুৰু কৰাৰ বাবে। কংগ্ৰেছৰ ৰাজনীতি তুষ্টিকৰণৰ ৰাজনীতি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰু কয় যে আমি ভাৰতত তুষ্টিকৰণৰ ৰাজনীতি হ'বলৈ নিদিওঁ। আমি ৰাম মন্দিৰতে সন্তুষ্ট নহওঁ। ঔৰংগজেব আৰু বাবৰে যিবোৰ কৰি গৈছে, সেইবোৰ ওলট-পালত কৰি দিয়াৰ বাবেই আমি আৰু সময় বিচাৰিছোঁ। আমি দেশখনক এনেদৰে নিৰ্মাণ কৰিব লাগিব, য'ত হিন্দু সভ্যতাৰ ওপৰত আধাৰিত হয়। সংবিধান প্ৰণয়নৰ সময়ত আমাৰ সংবিধান সভাত ৯৫ শতাংশ হিন্দু লোক আছিল। পাকিস্তানৰ সংবিধান প্ৰণয়ণৰ সময়ত তেওঁলোকৰ সংবিধান সভাত ৯৫ শতাংশ মুছলমান আছিল। আমাৰ সংবিধান সভাত হিন্দু থকা বাবেই ভাৰতবৰ্ষ ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হয়। ইয়াৰ বিপৰীতে পাকিস্তান মুছলিম ৰাষ্ট্ৰ হয়। দেশৰ সংস্কৃতি-সভ্যতাক আমি ৰক্ষণাবেক্ষণ দিব লাগিব। দেশখনত বিকাশৰ গংগা নমাই আনিব লাগিব। আমি হিন্দু-মুছলমানৰ কথা নকওঁ, সকলোৰে বিকাশৰ বাবে কাম কৰোঁ। দেশৰ কল্যাণৰ বাবে বিজেপি নেতৃত্বাধীন এনডিএই কাম কৰে। আমাৰ সংস্কৃতি সংৰক্ষণৰ বাবেই এইবাৰ লোকসভা নিৰ্বাচনত নৰেন্দ্ৰ মোদীক ৪০০ আসন দিব লাগিব। ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আগতে পাকিস্তানৰ পৰা মানুহ আহি ভাৰতত বোমা বিস্ফোৰণ সংঘটিত কৰিছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাকিস্তানত বিস্ফোৰণ ঘটোৱাৰ পাছত এতিয়া পাকিস্তানৰ পৰা কোনেও ভাৰতলৈ আহি বোমা বিস্ফোৰণ ঘটাব নোৱাৰে। বিহাৰত বিজেপি নেতৃত্বাধীন এনডিএৰ প্ৰাৰ্থীক এই নিৰ্বাচনত জয়যুক্ত কৰোৱাৰ আহ্বান জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এনডিএই একমাত্ৰ মিত্ৰদল, যিয়ে সুস্থিৰ চৰকাৰ গঠন কৰি বিহাৰৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে।

# প্ৰাকৃতিক কবি সন্মিলন

(পাঠশালা), গীতি কবি অমূল্য কুমাৰ দাস, ফুলেশ্বৰ বসুমতাৰী, ড° দিবাকৰ নাথ, কবীন্দ্ৰ দাস, অমূল্য ঠাকুৰীয়া (টিহু), অলকা বনিয়া, দৰ্শনা বনিয়া, সুনীলা বনিয়া, পলী বণিক্য ভাষণ, মঞ্জুলা বেগম, অৰূপ ডেকা ভাষণ কবিতা, হিমাশ্ৰী সান্দিলা, পবন কুমাৰ ভূঞা, আৰাধনা ভূঞা, মেলেচা চৌধুৰী, খনিন বৈশ্য, কৰবী মেধি, চাজিদ আলী, পিংকুমণি কলিতা, মনোজ কলিতা, উদ্ধৱ দাস, পদ্মিনী ৰাজবংশী, ৰুমী শইকীয়া, শিখাঞ্জলি ডেকা বৰ্মণ, মন্দিৰা গগৈ, চিত্ৰলেখা দাস, মাণিক চন্দ্ৰ শৰ্মা (বঙাইগাঁও), গীতা দেৱা (বঙাইগাঁও), দীপা গোস্বামী আৰু কিৰণ চন্দ্ৰ গোস্বামী (ভুৱনেশ্বৰ), দীপিকা বে কাথাৰ (বৰবাৰী), ভাৰতী বৰদলৈ, বন্তি শইকীয়া দত্ত, হেমেন শৰ্মা, অনুৰাগ হাজৰিকা (তিতাবৰ), কক্ষ্যজিৎ বৰুৱা (ছিপাঝাৰ), কবিতা দেৱী, গীতা ৰাণী পাঠক দাস, ৰুমা নাথ, পাৰুল চৌধুৰী, মিন্টু শৰ্মা, প্ৰণৱ শৰ্মা, প্ৰিয়ংকা মিশ্ৰ প্ৰভৃতি ৪০ গৰাকী কবিয়ে কবিতা পাঠ কৰে আৰু প্ৰায় ৪৫ গৰাকীয়ে সময়ৰ অভাৱত পাঠ কৰিব নোৱাৰা বাবে সভাপতি ক্ষমা প্ৰাৰ্থী হয়। অশীতিপৰ পিতৃ মনোহৰ চৌধুৰীৰ বাবে তেওঁৰ কন্যা মৌচুমীয়ে স্বীকাৰ কৰা ত্যাগৰ বাবে সভাপতি ভুৱনেশ্বৰ শৰ্মা আৰু বিশিষ্ট কবি পলী বণিক্যই শলাগ লয়। মৌচুমী চৌধুৰীৰ দৰে কন্যা প্ৰতিখন ঘৰত আদৰ্শ হিচাপে জন্ম পাওক বুলি আশীৰ্বাদ কৰি সভা ভংগ দিয়ে।

# জয় ভীম

মেঘালী দাস, ৰিতা দাস আদি প্ৰায় ৫০ জন মান যুৱক-যুৱতী উপস্থিত আছিল। লগতে উপস্থিত আছিল গুৱাহাটী উচ্চন্যায়ালয়ৰ অধিবক্তা ডা° দেৱকুমাৰ দাস, অৱসৰপ্ৰাপ্ত উপায়ুক্ত ভুপেন্দ্ৰ নাথ দাস, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰাক্তন প্ৰচাৰক স্বপন দাস আৰু বিনোদ পেগু আদি। উক্ত সভাখনত অসমৰ অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ সামূহিক উন্নতি, সমবিকাশ আদিৰ স্বাৰ্থত আলোচনা হয়। আনহাতে তেওঁলোকে কয় যে বাবা চাহেব ভীমৰাও আম্বেদকাৰে দি যোৱা অনুসূচীত জাতি, জনজাতি সকলক সাংবিধানিক ৰক্ষা কৱচ তথা বিধিগত নীতি সমূহ ৰাইজৰ মাজত বিলাই নিয়াতো অসম ভীম সেনাৰ উদ্দেশ্য। লগতে কয় যে তিনি হেজাৰ বছৰৰ এশ শতাংশ সংৰক্ষণৰ বিপৰীতে অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোক সকলে মাত্ৰ ৭০ বছৰ কিছু শতাংশ সংৰক্ষণ পাইছে, তাকো কিছু লোকে কাঢ়ি নিবলৈ সমৰ সজ্জা চলোৱা বুলি উল্লেখ কৰে। সেয়েহে লক্ষ্যধিক অনুসূচীত জাতি, জনজাতি আৰু পিছপৰা শ্ৰেণীৰ লোক সকলৰ উন্নয়নৰ বাবে ঐক্যতাৰে আগুৱাই যাব লাগে। সেই উদ্দেশ্যতে জয় ভীম অসম ভীম সেনাই উক্ত সভাতে এখন নতুন কমিটী গঠন কৰে প্ৰায় ২৫ জন সদস্য-সদস্যাৰে সভাপতি হিচাবে মাধৱ দাস আৰু সম্পাদক হিচাবে জয়ন্ত দাস।

# 'কাঁ' মহোৎসৱ ২০২৪

বিশ্বৰ দৰ্শকক প্ৰদৰ্শিত কৰাৰ যোগ্য। কাঁৰ দৰে চলচ্চিত্ৰ মহোৎসৱত এখন ছবি প্ৰদৰ্শন কৰাৰ সুযোগ লাভ কৰাটো এগৰাকী চলচ্চিত্ৰ নিৰ্মাতাৰ বাবে সদায় এক সপোন বাস্তৱায়িত হোৱাৰ দৰে । এনে এখন বিখ্যাত মঞ্চত আমাৰ কাহিনী তুলি ধৰিবলৈ সুযোগ লাভ কৰাৰ বাবে মই অতিশয় কৃতজ্ঞ ।" উল্লেখ্য যে, অসমত নিৰ্মিত এই হিন্দী ভাষাৰ ছবিখনত বলিউডৰ কেবাগৰাকীও প্ৰতিষ্ঠিত অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰাৰ লগতে হিন্দী ছবি উদ্যোগত খ্যাতি অৰ্জন কৰা অনেক কেইগৰাকী অসমীয়া শিল্পীয়ে কাম কৰিছে । ছবিখনত অভিনয় কৰা শিল্পীসকলৰ উল্লেখযোগ্য নামসমূহৰ ভিতৰত আছে ৰিতিশা খাউণ্ড, ৰাজেশ টাইলাং, দীপান্বিতা শৰ্মা, ঋতু শিৱপুৰী, দেৱলীনা ভট্টাচাৰ্য, বোধিসত্ব শৰ্মা, কমল লোচন, বিভূতি ভূষণ হাজৰিকা, প্ৰীতি কংকনা আৰু ৰঞ্জীৱ লাল বৰা আদি । ইয়াৰোপৰি বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী সুনিধি চৌহান, দিব্য কুমাৰ, মহম্মদ ফৈজ আৰু অসমৰ কৃতিকা শৰ্মাই 'কুকি'ৰ তিনিটা সুমধুৰ গীতত কণ্ঠ নিগৰাইছে । পৰিচালক প্ৰণৱ জে ডেকা আৰু দলটোৰেও সন্মানীয় কাঁ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হ'বলগীয়া তেওঁলোকৰ ছবিখনক নিৰ্বাচন কৰাক লৈ সুখ প্ৰকাশ কৰিছে।

# ENGLISH NEWS SECTION

## Chiranjeevi honoured with Padma Vibhushan by President Murmu



RB News- President Droupadi Murmu awarded Chiranjeevi the Padma Vibhushan, India's second-highest civilian honor, at the Rashtrapati Bhavan in Delhi. Chiranjeevi, with his family by his side, accepted the award amidst cheers. With a career spanning over 4 decades and 150 films, he expressing his gratitude about receiving the honour, Chiranjeevi said, " After receiving the news I became speechless. I am really overwhelmed. I am humbled and grateful for this honour."

## Legendary actress Vyjayanthimala receives Padma Vibhushan



RB News- Vyjayanthimala, the iconic actress, received the Padma Vibhushan, India's second-highest civilian honour. President Droupadi Murmu presented the award at the Rashtrapati Bhawan. Known for her roles in classics like "Devdas" and "Naya Daur," she is well known for her acting and dancing. This honour adds to her Padma Shri received in 1968.

## Neeraj Chopra finishes 2nd in Doha Diamond League



RB News- Olympic and world champion Neeraj Chopra finished second at the Doha Diamond League meeting javelin throw event as his big final effort of 88.36m fell short by two centimeters of Jakub Vadlejch's winning effort on Friday. The 26-year-old Chopra trailed Czech Republic veteran Vadlejch -- who won the title with his third round throw of 88.38m -- all through the competition. Chopra made a last ditch effort but his final round throw fell 2cm short of Vadlejch's mark as the Indian superstar failed to defend the title he had won won last year . Two-time world champion Anderson Peters took the third sport with a best throw of 86.62m. Indian javelin thrower Kishore Jena finished ninth with a best throw of 76.31 metres.

## Kylian Mbappé announces he is leaving PSG



RB News- Kylian Mbappé has confirmed he will leave Paris Saint-Germain at the end of the season. "I wanted to announce to you all that it's my last year at Paris Saint-Germain. I will not extend and the adventure will come to an end in a few weeks," Mbappe said in a video posted on social media. "It's a lot of emotions. (For) many years I had the chance and great honour to be a member of the biggest French club, one of the best in the world which allowed me to travel here," Mbappe added. "It's hard and I never thought it would be this difficult to announce that I will leave the country, France, the league and the Championship. But I think, I needed this, a new challenge after seven years."

## Joshna Chinappa receives Padma Shri award from President



RB News- Indian squash star Joshna Chinappa has been awarded the Padma Shri by President Droupadi Murmu at Rashtrapati Bhawan. Chinappa, an Asian Games bronze medallist, has won five Asian Games medals and two Commonwealth Games medals. Uday Vishwanath Deshpande, a Mallakhamb coach, and para-badminton coach Gaurav Khanna were also honoured for their contributions to sports.

## Sri Sri Aniruddhadeb Junior College, Dibrugarh passed 100 per cent in Commerce and 90 per cent in Science

Guwahati, RB News- Recently, the results of the Higher Secondary Final Examination have been announced. According to the results of Sri Sri Anirudha College, Boirahimoth - 90 per cent of the students passed in Science, 100 per cent in Commerce and 77 per cent in Arts . Out of the total of 90 students in the Science section, 30 passed in first division, 42 in second division and 9 in third division .Again, Out of 8 students in Commerce section, 4 passed in first division and 4 in second division. In the Arts category, 6 out of 35 students passed in first division, 8 in second division and 13 in third division . More than 20 students in all the disciplines passed the final examination with Letter, Star and Distinction marks in Sri Sri Aniruddhadeva Junior College, boiragimoth which was established in 1997 and is not a privately owned educational institution. A public institution trust called 'Sri Sri Aniruddhadev Seva



Samiti Assam' has been in existence for the welfare of the economically backward sections of the society. For this success , Mr Bhushan Jyoti Handique , Principal, Sri Sri Aniruddhadeb College, has thanked and congratulated the students,staff faculty and the trustee members.

# আই পি এলৰ এখন খেলৰ বাবে ঋষভ পণ্টক নিলম্বন




ৰঙিলী বাৰ্ত্তাসেৱা- দেওবাৰে আৰ চি বিৰ বিৰুদ্ধে খেলিবলগীয়া মেচখনত দলত নাথাকিব দিল্লীৰ অধিনায়ক ঋষভ পণ্ট। আই পি এল কৰ্তৃপক্ষই দিল্লীৰ অধিনায়ক ঋষভ পণ্টক এখন মেচৰ পৰা নিলম্বন কৰিছে। ইয়াৰোপৰি তেওঁক ৩০ লাখ টকাৰ জৰিমণাও বিহিছে। এনে পৰিস্থিতিত পণ্টবিহীন দিল্লীয়ে আৰ চি বিৰ বিৰুদ্ধে খেলিবলগীয়া মেচখনত কিদৰে প্ৰদৰ্শন কৰিব বা প্লে' অফত প্ৰৱেশৰ বাট মুকলি কৰি ৰাখিব পাৰিবনে নাই তাক লৈ চিন্তিত হৈ পৰিছে। মনকৰিবলগীয়া যে ৭ মে'ত দিল্লীয়ে ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে খেলা মেচখনতে মন্থৰ অভাৰেটৰ বাবে দিল্লীৰ উইকেটকীপাৰ বেটছমেনজনক নিলম্বন কৰা হৈছে। আই পি এলৰ কৰ্তৃপক্ষই জাৰি কৰা এক বিজ্ঞপ্তিত উল্লেখ কৰা অনুসৰি পণ্টক কোড অফ কনডাক্ট উলংঘন কৰাৰ বাবে এই শাস্তি প্ৰদান কৰা হৈছে। মন্থৰ আভাৰ ৰেটৰ বাবে আৰ্থিক জৰিমণাৰ লগতে এখন মেচৰ পৰা নিলম্বন কৰা হৈছে। উল্লেখ্য যে, চলিত আই পি এলত দিল্লী কেপিটেলছৰ শ্লো অভাৰ ৰেটৰ এয়া তৃতীয় অপৰাধ। আই পি এলৰ নিয়মানুসৰি মন্থৰ অভাৰ ৰেটৰ বাবে প্ৰথমবাৰৰ বাবে দোষী সাব্যস্ত হ'লে অধিনায়কক ১২ লাখ টকাৰ জৰিমণা বিহা হয়। দ্বিতীয়বাৰ একেই অপৰাধ কৰিলে ২৪ লাখ আৰু তৃতীয়বাৰো অনুৰূপ অপৰাধ কৰিলে ৩০ লাখ টকাৰ জৰিমণা বিহাৰ লগতে এখন মেচৰ পৰা নিলম্বন কৰা হয়। তৃতীয়বাৰ এনে কৰিলে কেৱল অধিনায়কক নহয় দলৰ প্ৰতিজন সদস্যকে ১২ লাখকৈ অথবা ৫০ শতাংশ মেচ ফী কৰ্তন কৰা হয়।

# জৰিমনা বিহা হৈছে ৰাজস্থানৰ অধিনায়ক সঞ্জু ছেমছনক

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজস্থানৰ অধিনায়ক সঞ্জু ছেমছনক আইপিএলৰ নিয়ম উলংঘা কৰাৰ বাবে জৰিমনা বিহা হৈছে। দিল্লী কেপিটেলছৰ বিৰুদ্ধে পৰাজয়ৰ হোৱা খেলখনত মুকেশ কুমাৰৰ বলত আউট হোৱাৰ পিছতে আম্পায়াৰৰ সৈতে তৰ্ক কৰিছিল সঞ্জুৱে। সঞ্জুৰ কেছটো বাউণ্ডেৰীত ছাই হ'পে আয়ত্ত কৰে। কিন্তু হ'পৰ ভৰিখন বাউণ্ডেৰীৰ ৰছীৰ বহুত ওচৰত আছিল। বিভিন্ন কোণৰ পৰা চালেও ভৰিখন বছীডালত আছেনে নাই সেয়া স্পষ্ট হোৱা নাছিল। কোনো শক্তিশালী প্ৰমাণ নথকাৰ বাবে আম্পায়াৰে টিভিৰ ৰিপ্লে' চাই সঞ্জুক আউট দিয়াৰ সিদ্ধান্ত লয়। কিন্তু সেই সিদ্ধান্তত অসন্তুষ্ট হৈ সঞ্জুৱে



আম্পায়াৰৰ সৈতে তৰ্কত লিপ্ত হয়। তেওঁ দাবী কৰে যে হ'পৰ ভৰি ৰছীডালত আছে। কিন্তু আম্পায়াৰৰ সিদ্ধান্ত সলনি কৰাৰ কোনো উপায় নাছিল। ইয়াৰ পিছতে ৰাজস্থানৰ অধিনায়ক গৰাকীক জৰিমনা বিহা হয়।

# নতুন প্ৰশিক্ষকৰ বাবে বিজ্ঞাপন জাৰি কৰিব বিচিচিআইয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ভাৰতীয় ক্ৰিকেট দলৰ নতুন প্ৰশিক্ষকৰ বাবে বিজ্ঞাপন জাৰি কৰিব। চলিত বৰ্ষৰ জুন মাহত কাৰ্যকালৰ অন্ত পৰিব ৰাহুল দ্ৰাবিড়ৰ। অৰ্থাৎ টি ২০ বিশ্বকাপৰ পিছতে ভাৰতীয় দলটোৰ মুখ্য প্ৰশিক্ষক পদৰ পৰা পদত্যাগ কৰিব ৰাহুল দ্ৰাবিড়ে। অৱশ্যে ৰাহুল দ্ৰাবিড়ে ইচ্ছা কৰিলে উক্ত পদৰ বাবে পুনৰ আবেদন কৰিব পাৰিব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ সম্পাদক জয় শ্বাহে কয় যে জুনপৰ্যন্ত দ্ৰাবিড়ৰ চুক্তি আছে। ইচ্ছা কৰিলে আবেদন কৰিব পাৰিব। ভাৰতীয় দলটোৰ মুখ্য প্ৰশিক্ষক কোন হ'ব সেইটো নিৰ্ণয় কৰাৰ পিছত বেটিং, বলিং আৰু ফিল্ডিং প্ৰশিক্ষক নিৰ্বাচন কৰা হ'ব বুলি জয় শ্বাহে লগতে কয়। নতুন প্ৰশিক্ষকৰ সৈতে দীঘলীয়া চুক্তি স্বাক্ষৰ কৰিব বিচিচিআয়ে। নতুন প্ৰশিক্ষকক তিনি বছৰৰ বাবে চুক্তিবদ্ধ কৰাৰ সম্ভাৱনা আছে। ২০২৭ চনত এদিনীয়া বিশ্বকাপ অনুষ্ঠিত হ'ব। উক্ত প্ৰতিযোগিতালৈ নতুন প্ৰশিক্ষকৰ সৈতে চুক্তিবদ্ধ হ'ব পাৰে। অৱশ্যে ইংলেণ্ড বা পাকিস্তানৰ দৰে টেষ্ট আৰু সীমিত অভাৰৰ বাবে পৃথক প্ৰশিক্ষক নিযুক্তি নকৰে বুলি উল্লেখ কৰি জয় শ্বাহে লগতে কয় যে ভাৰতীয় ক্ৰিকেট দলটোৰ দায়িত্ব এজন প্ৰশিক্ষকৰ হাতত দিব বিচাৰে। অৱশ্যে নতুন প্ৰশিক্ষক ভাৰতীয় বা বিদেশী হ'ব সেয়া এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই। নতুন প্ৰশিক্ষক নিযুক্তি সিদ্ধান্ত পৰামৰ্শদাতা সমিতিৰ দ্বাৰা কৰা হ'ব বুলি বিচিচিআইৰ সম্পাদকগৰাকীয়ে ব্যক্ত কৰে।

# আইপিএলৰ প্লে'অফৰ দৌৰৰ পৰা বাহিৰ পঞ্জাব কিংছ



ৰঙিলী বাৰ্ত্তাসেৱা- দ্বিতীয়টো দল হিচাপে চলিত আইপিএলৰ প্লে'অফৰ দৌৰৰ পৰা বাহিৰ হৈ পঞ্জাব কিংছ। বৃহস্পতি বাৰে ধৰমশালাত অনুষ্ঠিত মেচখনত পঞ্জাব কিংছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হাতত ৬০ ৰানত পৰাস্ত হয়। মেচখনত বিজয় সাব্যস্ত কৰি বেংগালুৰুয়ে প্লে'অফত প্ৰৱেশৰ আশা সজীৱ কৰি তুলিছে। ১২ খন মেচৰ পৰা ১০ পইন্ট সংগ্ৰহ কৰি পইন্ট তালিকাৰ সপ্তম স্থানত আছে আৰচিবি। বিপৰীতে পঞ্জাবে ১২খন মেচৰ পৰা ৮ পইন্ট সংগ্ৰহ কৰি নৱম স্থানত আছে। ধৰমশালাত অনুষ্ঠিত মেচখনত বেংগালুৰুৱে জয়ৰ বাবে বান্ধি দিয়া ২৪২ ৰানৰ বৃহৎ লক্ষ্য অনুসৰণ কৰিবলৈ আহি বিলী ৰ'ছ'উৰ দৰ্শনীয় ৬১ আৰু শশাংক সিঙৰ ৩৭ ৰানৰ সহায়ত পঞ্জাবে ১৭ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৮১ ৰানহে কৰে। বেয়াৰষ্ট'ৱে ২৭ আৰু অধিনায়ক ছেম কৰনে ২২ ৰানৰ অৰিহণা আগবঢ়ায়। আৰচিবিৰ হৈ মহম্মদ চিৰাজে তিনিটা, স্বপ্নীল সিং, ল'কি ফাৰ্গুছন আৰু কৰ্ণ শৰ্মাই দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি বিৰাট কোহলিৰ দুৰ্দান্ত ৯২, ৰজত পাটিদাৰৰ ৫৫ আৰু কেমেৰন গ্ৰীনৰ ৪৬ ৰানৰ সহায়ত বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটত ২৪১ ৰান কৰে।

# আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ ল'ব জেমছ এণ্ডাৰছনে

ৰঙিলী বাৰ্ত্তাসেৱা- আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ ল'ব জেমছ এণ্ডাৰছনে। অহা জুলাই মাহত লৰ্ডছত বেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথমখন টেষ্ট হ'ব আৰু সেইখনেই তেওঁৰ কেৰিয়াৰৰ অন্তিম টেষ্ট। ৪১ বছৰীয়া জেমছ এণ্ডাৰছন হ'ল টেষ্ট ক্ৰিকেটত ৭০০ উইকেট দখল কৰা বিশ্বৰ একমাত্ৰ পেচ বলাৰ। ছ'চিয়েল মিডিয়াত অৱসৰৰ কথা ঘোষণা কৰি জেমছ এণ্ডাৰছনে কয় যে-'সকলোৰে বাবে মোৰ এটা বিশেষ বাৰ্তা




আছে। অহা গ্ৰীষ্মকালত লৰ্ডছত অনুষ্ঠিত হ'বলগীয়া প্ৰথমখন টেষ্ট মোৰ ক্ৰিকেট কেৰিয়াৰৰ অন্তিমখন টেষ্ট মেচ হ'ব। ২০ বছৰ ধৰি দেশক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পোৱাটো এক সুন্দৰ অভিজ্ঞতা। ইংলেণ্ডৰ হৈ খেলাৰ সেই মুহূৰ্তবোৰ মই মিছ কৰিম। এই সিদ্ধান্তৰ বাবে মোৰ কোনো আক্ষেপ নাই।' পৰিয়ালৰ সদস্যৰ উপৰি জেমছ এণ্ডাৰছনে সকলো প্ৰশিক্ষক, সতীৰ্থ, সমৰ্থক আৰু জড়িত সকলোকে ধন্যবাদ জনায়। ইংলেণ্ডৰ হৈ জেমছ এণ্ডাৰছনে ১৮৭ খন টেষ্ট, ১৯৪ খন এদিনীয়া মেচ আৰু ১৯ খন টি-২০ মেচ খেলিছে। টেষ্টত ৭০০ উইকেটৰ উপৰি এদিনীয়াত ২৬৯ টা আৰু টি-২০ ক্ৰিকেটত ১৮ টা উইকেট লাভ কৰিছে জেমছ এণ্ডাৰছনে। উল্লেখ্য যে লৰ্ডছত ইংলেণ্ড-ৱেষ্ট ইণ্ডিজৰ প্ৰথমখন টেষ্ট ১০-১৪ জুলাইত অনুষ্ঠিত হ'ব।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286